সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা


Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ১৮ সংখ্যা, ১৯ ব'হাগ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 18 Date of Publication- 3 May 2026 Rs. 10.00/-

## মাজত মাথোঁ ২৪ ঘণ্টাঃবহু প্ৰতীক্ষাৰ অন্তত সোমবাৰে অনুষ্ঠিত হ'ব ভোটগণনা



ৰঙিলী বাৰ্তাসেৱা- মাজত মাথোঁ আৰু এটা দিন। নিৰ্বাচন আয়োগৰ পূৰ্বনিৰ্ধাৰিত সূচী অনুসৰি সোমবাৰে অনুষ্ঠিত হ'ব ভোটগণনা। ইতিমধ্যে নিৰ্বাচন আয়োগে পুৱা আঠ বজাৰ পৰা আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। সেইদিনাই ৰাজ্যৰ ৩৫ জিলাৰ ৪০টা ভোটগণনা কেন্দ্ৰত শাসক-বিৰোধী-নিৰ্দলীয় ৭২২ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰৰ ব্যৱস্থা কৰাৰ বিপৰীতে নগাঁও জিলাত থাকিব তিনিটা। বাকী জিলাসমূহত এটাকৈ ভোটগণনা কেন্দ্ৰৰ পৰিকল্পনা কৰা হৈছে। সোমবাৰে পুৱা আঠ বজাৰ লগে লগে প্ৰথমে প'ষ্টেল বেলটসমূহ গণনা কৰা হ'ব। ইয়াৰ পাছত ই ভি এমত থকা ভোট গণনা কৰা হ'ব।

আনহাতে, ভোট গণনাৰ সময়ত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো ভোট গণনা কেন্দ্ৰতে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। আনকি প্ৰতিটো ভোট গণনা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত মোতায়েন কৰা হ'ব অসম আৰক্ষীৰ দল। একেদৰে ভোট গণনা কেন্দ্ৰত প্ৰতিটো মুহূৰ্ততে সক্ৰিয় হৈ থাকিব উচ্চ ক্ষমতাসম্পন্ন চি চি কেমেৰাও। ইতিমধ্যে প্ৰতিখন জিলা প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰা জাৰি কৰিছে। সেই অনুসৰি ভোট গণনা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো কাৰণতেই পাঁচজন বা ততোধিক ব্যক্তি সমৱেত হ'ব নোৱাৰিব। একেদৰে ভোট গণনা কেন্দ্ৰৰ এশ মিটাৰ এলেকাত গাড়ী পাৰ্কিং কৰিব নোৱাৰিব আৰু কোনো অস্থায়ী দোকানো খুলিব নোৱাৰিব। বৈধ পৰিচয় থকা লোকসকলহে কেন্দ্ৰ গণনাৰ চৌহদত প্ৰৱেশ কৰিব পাৰিব। আনকি সেইদিনা কোনোৱে লাঠী বা অস্ত্ৰ হাতত লৈ সমদল কৰিব নোৱাৰিব। ফুটাব নোৱাৰিব কোনো ফটকা বা আতচবাজীও। মাইক, ডি জে আদিও ব্যৱহাৰ কৰাত বাধা আৰোপ কৰা হৈছে। ইতিমধ্যে নিৰ্বাচন আয়োগে ভোটগণনাৰ বাবে সকলোধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। বিশেষকৈ সমগ্ৰ প্ৰক্ৰিয়াটো যাতে স্বচ্ছ ( নপৃষ্ঠাত চাওক)

## ১০ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ ছামিম আহমেদক



ৰঙিলী বাৰ্তাসেৱা- মঠঘৰীয়াত দেওবাৰে সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল তিনিগৰাকী যুৱতী আকাংক্ষা শইকীয়া, পূজা সাহা আৰু আৰ্মিনা আহমেদে। দুৰ্ঘটনাৰ পাছত মহানগৰ আৰক্ষীয়ে চলোৱা তদন্তত নিত্যনতুন তথ্য পোহৰলৈ আহিছে। ত্ৰিপুৰা নহয়, অসমৰ গোৱালপাৰাৰ নামপাৰাৰ বাসিন্দা আছিল অভিশপ্ত গাড়ীখনৰ চালক ছামিম আহমেদ। ২০১৩ চনত গুৱাহাটীলৈ আহি জিএছটিৰ কাম-কাজৰ সৈতে জড়িত হৈ পৰা ছামিমে নিজৰ ঠিকনা ত্ৰিপুৰা বুলি কৈ আৰক্ষীক বিভ্ৰান্ত কৰিবলৈ আৰম্ভণিৰ পৰাই চেষ্টা চলাই আহিছিল। কিন্তু আৰক্ষীয়ে তদন্ত তীব্ৰতৰ কৰি তোলাৰ পাছতে এফালৰ পৰা পোহৰলৈ আহিছে (দহ পৃষ্ঠাত চাওক)

## সোমবাৰে ঘোষণা কৰা হ'ব সিদ্ধাৰ্থৰ জামিনৰ ৰায়



ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গ মৃত্যুকাণ্ড সন্দৰ্ভত বিশেষ ফাষ্ট-ট্ৰেক আদালতে সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সম্পৰ্কে ৪ মে' অৰ্থাৎ সোমবাৰে চূড়ান্ত ৰায় ঘোষণা কৰিব। উল্লেখ্য যে এই গোচৰটোত দৈনিক শুনানি চলাই থকা বিশেষ ফাষ্ট-ট্ৰেক আদালতে ২৮ এপ্ৰিলত জামিন আবেদনৰ শুনানি সম্পূৰ্ণ কৰিছিল। প্ৰথমতে ২ মে'ত ৰায় ঘোষণাৰ দিন ধাৰ্য কৰা হৈছিল যদিও আদালতৰ কাৰ্যবিধি স্থগিত থকাৰ বাবে ৰায় ঘোষণা পিছুৱাই সোমবাৰলৈ স্থগিত কৰা হয়। ইয়াৰ পূৰ্বে আদালতে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ মালিকানাধীন 'মহাবীৰ একুৱা নামৰ পানী প্ৰস্তুত কাৰখানা জব্দ কৰাৰ লগতে তেওঁৰ ব্যৱহাৰ কৰা ৬টা বেংক একাউণ্টে স্থগিত কৰাৰ নিৰ্দেশ দিয়ে। তদন্তৰ সময়ত এই (দহ পৃষ্ঠাত চাওক)

## গুৱাহাটীত বিৰোধী ঐক্যমঞ্চৰ গুৰুত্বপূৰ্ণ বৈঠক

ৰঙিলী বাৰ্তাসেৱা- নিৰ্বাচনৰ ফলাফল ঘোষণালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত শনিবাৰে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁটে গুৱাহাটীৰ বশিষ্ঠস্থিত হোটেল ৰত্নমৌলী পেলেচত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী তথা অসমৰ দায়িত্বত থকা কংগ্ৰেছৰ নিৰ্বাচনী পৰ্যবেক্ষক ডি কে শিৱকুমাৰ, চণ্ডীগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, ঝাৰখণ্ডৰ প্ৰাক্তন মন্ত্ৰী বন্ধু তিৰ্কী আৰু অসমৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, মিত্ৰদল ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, চিপিআইএম আৰু চিপিআইএমএলৰ নেতৃবৰ্গৰ লগতে কাৰ্বি পাহাৰৰ দল এপিএইচএলচিৰ সভাপতি জন ইংতি কাথাৰেও অংশগ্ৰহণ কৰে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা বিৰোধী দলসমূহৰ প্ৰাৰ্থীসকলৰ উপস্থিতিত আয়োজিত এই বৈঠকত আটায়েই ৪ মে'ৰ ফলাফলত কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে এনডিএ চৰকাৰক ওফৰাবলৈ সমৰ্থ হ'ব বুলি দৃঢ় মত পোষণ কৰে আৰু সেই অনুযায়ী ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰে। ভোটগণনাৰ সময়ত যাতে কোনো এটা ভোটগণনা কেন্দ্ৰতে শাসকপক্ষই খেলিমেলি সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে ল'বলগীয়া প্ৰয়োজনীয় ব্যৱস্থা সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।



বৈঠকত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক পৃথ্বিৰাজ সাথে, মনোজ চৌহান, বিকাশ উপাধ্যায়, সাংসদ ৰকিবুল হুছেইন, দেৱব্ৰত শইকীয়া, চিপিআইএম দলৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰকে আদি কৰি কেইবাগৰাকী জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে। এই বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে দৃঢ়তাৰে কয় যে উজনি, নামনি, বৰাক, পাৰ্বত্য অঞ্চলকে ধৰি সমগ্ৰ অসমতে সৰ্বস্তৰৰ ৰাইজে এইবাৰ নতুন এখন চৰকাৰ গঢ় দিবলৈ নিজৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে। ১২ মে'ৰ ফলাফলত ইয়াৰ স্পষ্ট প্ৰতিফলন দেখিবলৈ পোৱা যাব বুলিও দাবী কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। তেওঁ লগতে কয় যে ভোটগ্ৰহণৰ দিনৰ পৰা (দহ পৃষ্ঠাত চাওক)

# ৫ মে'ৰ পৰা ১২ মে'লৈ উচ্চতম ন্যায়ালয়ত 'কা'ৰ শুনানি

ৰঙিলী বাৰ্ত্তাসেৱা- নাগৰিকত্ব সংশোধনী আইন, ২০১৯ চমুকৈ 'কা'ৰ বিৰুদ্ধে ছুপ্রিম ক'ৰ্টত ২০০ টা গোচৰ বিচাৰাধীন হৈ আছে। এই গোচৰবোৰৰ চূড়ান্ত শুনানি লৈ ছুপ্রিম ক'ৰ্টে এটা চূড়ান্ত সিদ্ধান্ত নিদিয়াকৈয়ে ভাৰত চৰকাৰে 'কা' প্ৰয়োগ কৰি থকা কাৰ্য দেশৰ সংবিধান আৰু ন্যায় ব্যৱস্থাৰ প্ৰতি এক চূড়ান্ত প্ৰহসন বুলিয়েই বিবেচিত হৈছে। এই মন্তব্য 'কা'ৰ অন্যতম গুচৰীয়া (১৫১৪/২০১৯) তথা অসম সম্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানৰ। ২০২৪ চনৰ ১৯ মাৰ্চৰ শুনানিৰ দুবছৰ পিছত ২০২৬ চনৰ ১৯ ফেব্ৰুৱাৰীত 'কা'ৰ শুনানি গ্ৰহণ কৰি ছুপ্রিম ক'ৰ্টে চূড়ান্ত বিচাৰৰ বাবে ৫ মে'ৰ পৰা ৰচ মে'লৈকে দীঘলীয়া সময় নিৰ্ধাৰণ কৰিছিল। ছুপ্রিম ক'ৰ্টৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ নেতৃত্বত ন্যায়াধীশ জয়মাল্য বাগছি আৰু ন্যায়াধীশ বিপুল মনুভাই পাঞ্চোলীৰে গঠিত তিনিজনীয়া বিচাৰপীঠত শুনানি অনুষ্ঠিত হ'ব। ৫ মে'ত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা বিভিন্ন সংগঠন আৰু ব্যক্তিয়ে 'কা'ৰ বিৰুদ্ধে তৰা গোচৰবোৰৰ শুনানি অনুষ্ঠিত হ'ব। ৬ মে'ৰ আবেলি ২ বজাৰ পৰাহে 'কা'ৰ বিৰুদ্ধে তৰা মতিউৰ ৰহমান বনাম ভাৰত চৰকাৰৰ ১৫১৪/২০১৯ নং গোচৰ আৰু অসমৰ বিভিন্ন সংগঠনে 'কা'ৰ বিৰুদ্ধে তৰা গোচৰবোৰৰ শুনানি অনুষ্ঠিত হ'ব ত্ৰিপুৰাৰ পৰা তৰা গোচৰবোৰৰ সৈতে। ১২ মে'ৰ দিনা 'কা'ৰ শেষ চূড়ান্ত শুনানি অনুষ্ঠিত হ'ব। গুচৰীয়া মতিউৰ ৰহমানে কয় যে ভাৰত চৰকাৰে ২০১৫ চনৰ ৭ ছেপ্টেম্বৰত 'কা' আইন আনিবলৈ জাৰি কৰা জাননীখন সংবিধানবিৰোধী তথা পক্ষপাতিত্বমূলক বুলি প্ৰত্যাহ্বান জনাই মহাসংঘৰ নেতৃত্বত ৮ গৰাকী বিশিষ্ট ব্যক্তি যথাক্ৰমে প্ৰণৱ কুমাৰ মজুমদাৰ (প্ৰাক্তন অধ্যক্ষ, তেজপুৰ চৰকাৰী ল'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়), ডাঃ বিশ্ব ৰঞ্জন কলিতা (প্ৰাক্তন যুটীয়া সঞ্চালক, স্বাস্থ্য সেৱা সঞ্চালকালয়, অসম), শান্তনু দাস বৰহাজোৰাল (অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা উপদেষ্টা, সোণোৱাল কছাৰী জাতীয় পৰিষদ), মুকুন্দ চন্দ্ৰ গোস্বামী (সত্ৰাধিকাৰ, মায়ামৰা দিনজয় সত্ৰ, চাবুৱা), যোগেশ্বৰ বড়া (অৱসৰপ্ৰাপ্ত অধ্যক্ষ, নন্দনাথ শইকীয়া কলেজ, তিতাবৰ তথা প্ৰাক্তন মুখ্য উপদেষ্টা, ঠেঙাল কছাৰী জাতীয় সংগঠন), তুলসী বৰদলৈ (অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, জাগীৰোড কলেজ তথা প্ৰাক্তন সভাপতি, তিৱা সাহিত্য সভা), প্ৰয়াত জগত কামা (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বৰশীঝোৰা ( তিনিপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ চেমিম আখতাৰা আলিক টাইমছ অফ ইণ্ডিয়া গ্ৰুপৰ সন্মান



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ নালিয়াপুল নিবাসী চেমিম আখতাৰা আলিক ব্যতিক্ৰম গ্ৰুপৰ সহযোগত 'দ্য টাইমছ অৱ ইণ্ডিয়া' (টাইমছ গ্ৰুপ)ৰ তৰফৰ পৰা ছচিয়েল ইমপেক্ট লিডাৰ শ্বিপত শ্ৰেষ্ঠত্ব (Excellence in social impact leader ship) শিতানত সন্মানিত কৰা হৈছে। যোৱা ৩০ এপ্ৰিলত গুৱাহাটীৰ বিভান্টা হোটেলত এই বঁটা প্ৰদান কৰে বলিউডৰ বিখ্যাত অভিনেতা গুলচান গ্ৰোভাৰে। চেমিম আখতাৰা আলি সমাজসেৱা আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে এই সন্মান লাভ কৰে। তেওঁৰ নিষ্ঠা, একাগ্ৰতা, অধ্যৱসায় আৰু সমাজমুখী কৰ্ম কলাপে সমাজক এক ইতিবাচক প্ৰভাৱ পেলাইছে। আলিয়ে সমাজৰ দৰিদ্ৰ লোক, দৃষ্টিহীন ব্যক্তি আৰু বান পীড়িত হাজাৰ লোকক সহায় সহযোগিতা আগবঢ়োৱাৰ ( পাঁচ পৃষ্ঠাত চাওক)

# দৰং জিলা বিষয় শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ প্ৰশংসনীয় পদক্ষেপ



ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলা বিষয় শিক্ষক আৰু কৰ্মচাৰী সন্থাই এইবেলি পোনপ্ৰথমবাৰৰ বাবৰ বাবে ৰূপায়ণ কৰিলে এটি প্ৰশংসনীয় পদক্ষেপ। নৈমিত্তিক পাঠদানত বিঘিনি নঘটোৱাকৈ বন্ধৰ দিনত জিলাখনৰ প্ৰতিখন বিদ্যালয়ৰ পৰা সৰ্বোচ্চ নম্বৰপ্ৰাপক সকলৰ ঘৰে-ঘৰে গৈ সন্থাৰ ফালৰ পৰা সম্বৰ্ধনা জনাই তেওঁলোকৰ ভৱিষ্যতৰ উত্তৰোত্তৰ কামনা কৰে । সন্থাৰ বিষয়ববীয়া দীপক নাথ, ড° সুৰজিত বৰুৱা, ৰিদীপ বৰুৱা, মুকুল বৰুৱা, লক্ষী নাথ আৰু নিলোৎপল হাজৰিকাৰ নেতৃত্বত চলা এই সোণসেৱীয়া অভিযান পুৱা আঠ বজাৰ পৰা আৰম্ভ হয় ।এই অভিযানত প্ৰথমে দলগাঁৱৰ বেচিমাৰী উঃ মাঃ বিদ্যালয়ৰ "টপাৰ" আলটাফ আলীক (৮০.২০%) সম্বৰ্ধনা জনায় । তাৰ পাছত ক্ৰমে কৌপাটীৰ বল্লৱভাই পেটেল উঃ মাঃ বিদ্যালয়ৰ একে সমান নম্বৰ প্ৰাপক (৮৪%) মিনাৰা বেগম, ফৰিদা জান্নাত আৰু বিপ্লৱ মিস্ত্ৰীক, দলগাঁও উঃ মাঃ বিদ্যালয়ৰ ফাৰুক আব্দুল্লা (৭১.৬০%) ক, খাৰুপেটীয়া উঃ মাঃ বিঃৰ সুমিত দেৱ (৮৮%)ক, ভকতপাৰা উঃ মাঃ বিঃৰ ৰেজিয়া বেগম (৮৮.৪০%) ক, পিএমশ্ৰী মঙলদৈ নগৰ বালিকা উঃ মাঃ বিঃৰ ৰেহেনা খাটুন (৯১%) ক আৰু মঙলদৈ ( পাঁচ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান.. দেৱাশীষ গোস্বামী,নগাঁও

# ভণ্টি, গুৱাহাটীত থাকা নেকি ?



ভণ্টি, গুৱাহাটীত থাকা নেকি? মায়া নগৰী গুৱাহাটীত? ভদ্ৰতাৰ মুখা পিন্ধা নাৰীৰ কোমল দেহৰ বেপাৰীয়ে য'ত অনবৰতে টিঘিল ঘিলাই থাকে। চামিমৰ দৰে নৰপিশাচে য'ত একো একোখন ঘৰ নিমিষতে থান বান কৰিবলৈ নামমাত্ৰও কুণ্ঠাবোধ নকৰে। ৰঙীন পানীয়ে নিত্য নতুন মায়াজাল সৃষ্টি কৰি দুহাত প্ৰসাৰী আকোঁৱালি ল'বলৈ সদা প্ৰস্তুত কংক্ৰিট নগৰীৰ পাশান হৃদয়ৰ দানৱৰ টিঘিল ঘিলনিৰ মাজতেই তুমি থাকা নেকি? প্ৰত্যেকটো মাতাল, ভয়াল নিশাৰ আৰ্তনাদৰ মাজত তুমি থাকা? তোমাৰ মনত পৰেনে, সেই সেমেকি উঠা, দুধাৰি লোতকেৰে বাট নেদেখা হোৱা চকু দুযোৰি? জীৱন গঢ়িবলৈ বুলি মহানগৰীলৈ খোজ লোৱা তোমাৰ দুভৰিলৈ চাই, বুকুৰ কুটুমক আঁতৰাই পঠোৱাৰ দুখত পদুলিমুখ চকুলোৰে উপচাই পেলোৱা মা-দেউতা নামৰ সেই বিশেষ ব্যক্তি দুজনৰ বিনিদ্ৰ ৰজনী বোৰলৈ? মনত নপৰেনে জীৱন গঢ়ি সফল হৈ এদিন ঘূৰি যাবা বুলি আতি আগ্ৰহেৰে বাট চাই থকা বাইদেউ-ভণ্টী, দাদা-ভাইটী, বন্ধু-বান্ধবীৰ অজস্ৰ মুখনি? মনত পৰেনে পেটত গামোচা মাৰি হলেও তোমাৰ মুখত দুবেলা দুমুঠি অন্ন দিবলৈ মা-দেউতাই হেতাঁ উপৰা লগোৱা সেই বিশেষ মূহুৰ্ত বোৰ? ভালতকৈও ভাল খুৱাই সু-স্বাস্থ্যৰে সৎ আৰু সফল তথা দেশৰ সু নাগৰিক হিচাপে গঢ়ি তুলিবলৈ কৰা কষ্ট, ত্যাগ বোৰ? লেশমানো বিশাদৰ ভু নিদিবলৈ অনবৰতে মুখত লৈ ফুৰা এমুকোৰা হাঁহিৰ অৰ্ন্তনিহীত অৰ্থবোৰ?

মায়াজালৰ পাকচক্ৰত পৰি তুমি আজি দিকভ্ৰষ্ট ভণ্টি, বাধ্যত পৰি পিন্ধি থকা নাম মাত্ৰ কাপোৰ কেইটা তৎ মূহুৰ্ততে খুলি খমখমীয়া নানা ৰঙৰ নোটৰ আগত তোমাৰ কোমল দেহাঁতো সপি দিবলৈ কুণ্ঠাবোধ নকৰা সমাজৰ কলংক, নিলাজ তুমি। ক'ত যে আশা-আকাংক্ষা বীৰদৰ্পে ভৰিৰে মোহাৰি, এগৰাকী নাৰী হোৱাৰ গৌৰৱ তথা প্ৰকৃত নাৰী সত্বাক সুস্থ মগুজেৰে হত্যা কৰি হাতত iPhone লৈ show-off কৰি ফুৰা সভ্য সমাজৰ মুখা পিন্ধা নিৰ্লজ অসভ্য, সমাজৰ কলংক তুমি। উচ্চাকাংক্ষাৰ চাকনৈয়াত পৰি নিজৰ লগতে প্ৰিয়জনকো দুৰ্ভোগ ভুগোৱাত সিদ্ধহস্ত তুমি। মায়ানগৰীত নানা ৰঙৰ মৰিচীকা খেদিবলে গৈ নিজৰ ফটোট মালা অৰোৱাবলৈও পিছ নোহোহোকা ভণ্টি তুমি গুৱাহাটীত থাকা নেকি?

# ভাৰতীয় মহিলা-এ দলত উমা চেত্ৰী-জিণ্টিমণি কলিতা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ক্ৰিকেটপ্ৰেমীৰ বাবে ভাল খবৰ। ইংলেণ্ড ভ্ৰমণৰ বাবে ইণ্ডিয়া-এ দলত নিৰ্বাচিত হৈছে অসম কন্যা উমা চেত্ৰী আৰু জিন্টিমণি কলিতা। উমা চেত্ৰী-জিন্টিমণি কলিতা দুয়োগৰাকী খেলুৱৈয়ে টি-২০ আৰু এদিনীয়া শৃংখলাৰ বাবে দলৰ অংশ হ'ব। ২০, ২৩ আৰু ২৫ জুনত অনুষ্ঠিত হ'ব টি-২০ মেচখন। ২৮ জুনৰ পৰা ৪ জুলাই লৈ এদিনীয়া শৃংখলাৰ মেচ অনুষ্ঠিত হ'ব।

# বাণিজ্যিক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম বৃদ্ধি




ৰঙিলী বাৰ্ত্তাসেৱা- দেশত বাণিজ্যিক চিলিণ্ডাৰৰ দাম পুনৰ বৃদ্ধি পালে। শুকুৰবাৰৰ পৰা কাৰ্যকৰী হোৱাকৈ বাণিজ্যিক চিলিণ্ডাৰৰ দাম ৯৯৩ টকাকৈ বৃদ্ধি পালে।এই মুহূৰ্তত ঘৰুৱা চিলিণ্ডাৰৰ দাম বৃদ্ধি কৰা হোৱা নাই যদিও বাণিজ্যিক চিলিণ্ডাৰৰ দাম বৃদ্ধিৰ ফলত বাণিজ্যিক পাকঘৰ আৰু সৰুসুৰা ব্যৱসায়ীসমূহত ইয়াৰ প্ৰভাৱ পৰিব। ৰেষ্টুৰেণ্ট, পদপথৰ কাষৰ সৰুসুৰা খাদ্য বিপণীসমূহ, বেকাৰী, ক্লাউদ কিটচেন আদিৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিব বুলি কোৱা হৈছে। এই দাম বৃদ্ধিৰ ফলত ৰাজধানী দিল্লীত এটা বাণিজ্যিক চিলিকৈ গুাৰৰ দাম হ'বগৈ ৩, ০৭১.৫০ টকা। এইপৰ্যন্ত ( চাৰিপৃষ্ঠাত চাওক)

# চামিমৰ তেজ লগা কাপোৰ মঠঘৰীয়াৰ পাহাৰৰ নলাত উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মঠঘৰীয়াত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিগৰাকীকৈ যুৱতীয়ে প্ৰাণ হেৰুওৱা ঘটনাৰ চাঞ্চল্য অব্যাহত থকাৰ মাজতেই নিত্যনতুন ৰহস্য পোহৰলৈ আনিছে। ২৫ এপ্ৰিলৰ পুৱতি নিশা সংঘটিত দুৰ্ঘটনাটোত নিমিষতে তিনিগৰাকী যুৱতীয়ে প্ৰাণ হেৰুৱাইছিল যদিও সৌভাগ্যক্ৰমে ঘটনাটোত প্ৰাণ ৰক্ষা পৰিছিল চালক চামিম আহমেদৰ। আৰক্ষীয়ে ঘটনাটোক লৈ তদন্ত অব্যাহত ৰখাৰ সময়তে পোহৰলৈ আহিছে ঘটনাটোৰ সৈতে জড়িত দ্বিতীয়টো চিচি টিভিৰ দৃশ্য। চিচি টিভিৰ দৃশ্যত পোহৰলৈ অহা তথ্য অনুসৰি দুঘটনাটোৰ কিছু মুহূৰ্তৰ পাছতে আঘাতপ্ৰাপ্ত বান্ধৱী তিনিগৰাকীক বাহনখনত এৰি নিৰ্বিকাৰভাৱে আন ঠাইলৈ গমন কৰিছিল চামিমে। ( চাৰিপৃষ্ঠাত চাওক)

# অভিষেক মনু সিংভীৰ পৰা গণতন্ত্ৰৰ পাঠ শিকিবলগীয়া নাই: মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ নেতা পৱন খেড়াক উচ্চতম ন্যায়ালয়ে আগতীয়া জামিন মঞ্জুৰ কৰিলে। জামিন লাভৰ পাছতেই সংবিধান তথা আইনী দিশক লৈ যথেষ্ট সৰৱ হৈ পৰা পৱন খেড়াৰ অধিবক্তা তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অভিষেক মনু সিংভীয়ে কৰা মন্তব্যক লৈ সামাজিক মাধ্যমযোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যম এক্সত মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগত লিখিছে- মই কাৰোবাৰ পৰা গণতন্ত্ৰ, ৰাজহুৱা বিতৰ্ক বা শালীনতা সন্দৰ্ভত পাঠ ল'বলগীয়া নাই। বিশেষকৈ অভিষেক মনু সিংভীৰ পৰা। প্ৰকৃত সমস্যাটো এগৰাকী মহিলাৰ সৈতে জড়িত। যি ৰাজনীতিৰ সৈতে একেবাৰে জঞ্জতি নহয়। কিন্তু আন দেশৰ ভুৱা নথিপত্ৰ লৈ তেওঁৰ চৰিত্ৰক ৰাষ্ট্ৰীয় (দহ পৃষ্ঠাত চাওক)

# অভিনেতা ধীৰেন ভট্টাচাৰ্যদেৱৰ দুখন গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- ধীৰেনপাৰা- উজ্জলনগৰ কালী মন্দিৰ পৰিচালনা সমিতি আৰু স্বেচ্ছাসেৱী সংস্থা 'জনসেৱা'ৰ যৌথ উদ্যোগত এন এছ প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত বিশিষ্ট লেখক, নাট্যকাৰ, পৰিচালক, অভিনেতা ধীৰেন ভট্টাচাৰ্যদেৱৰ গল্প সংকলন 'নিকুঞ্জ বনৰ পখী' আৰু সামাজিক নাট 'অমানুহ' গ্ৰন্থ দুখন ৰ মে'ত শ্ৰী শ্ৰী কালী মন্দিৰ মঞ্চত শুভ উন্মোচন কৰা হয়। সভাপতিত্ব কৰে-ৰমেশ চন্দ্ৰ শৰ্মা, সভাপতি, ধীৰেনপাৰা-উজ্জলনগৰ কালী মন্দিৰ পৰিচালনা সমিতি। গল্প সংকলন 'নিকুঞ্জ বনৰ পখী' উন্মোচন কৰে ড° কমল শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক, পুব কামৰূপ মহাবিদ্যালয়। নাট্য গ্ৰন্থ 'অমানুহ' উন্মোচন কৰে -সুশীল চন্দ্ৰ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত অধ্যাপক, আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে-কুমুদ (দহ পৃষ্ঠাত চাওক)

# মধ্যপ্ৰদেশৰ জব্বলপুৰত নৌকা দুৰ্ঘটনাত ৯ যাত্ৰীৰ প্ৰাণহানি



ৰঙিলী বাৰ্ত্তাসেৱা- মধ্যপ্ৰদেশত সংঘটিত হৈছে এক শোকাৰহ দুৰ্ঘটনা। নৰ্মদা নদীত ডুব গ'ল এখন পৰ্যটকবাহী ক্ৰুজ। বৃহস্পতিবাৰে সন্ধিয়া বৰগী বান্ধত এই দুৰ্ঘটনা সংঘটিত হয়। ক্ৰুজখনত মুঠ ২৯জন লোক আছিল বুলি জানিব পৰা গৈছে। এই দুৰ্ঘটনাৰ পিছত উদ্ধাৰকাৰী দলে ৯ জন লোকৰ মৃতদেহ উদ্ধাৰ কৰিছে। অৱশ্যে নিহত লোকৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে। আবেলি প্ৰায় ৫ বজাত বিশাল আৰু গভীৰ নৰ্মদা নদীত এখন ক্ৰুজত বহি জলভ্ৰমণ উপভোগ কৰি আছিল পৰ্যটকসকলে। ক্ৰুজখনত শিশু, মহিলা আৰু বয়োজ্যেষ্ঠসহ মুঠ ২৯জন লোক আছিল। হঠাৎ ধুমুহা আৰম্ভ হোৱাত ডাঙৰ (দহ পৃষ্ঠাত চাওক)

# ৫ মে'ৰ পৰা ১২ মে'লৈ উচ্চতম

নিম্ন প্ৰাথমিক বিদ্যালয় তথা প্ৰাক্তন সভাপতি, নিখিল ৰাভা সাহিত্য সভা) আৰু জনকলাল বসুমতাৰী (অৱসৰপ্ৰাপ্ত আয়ুক্ত, আয়কৰ বিভাগ, অসম)য়ে ৬৮।২০১৬ নং গোচৰ তৰিছিল। ছুপ্ৰিম ক'ৰ্টৰ ন্যায়াধীশ ৰহিনটন ফলী নৰিমান আৰু ন্যায়াধীশ ৰঞ্জন গগৈয়ে এই গোচৰৰ মাত্ৰ দুটা শুনানি লৈয়ে সংবিধান উলংঘাৰ গোচৰ বুলি অভিহিত কৰি ২০১৬ চনৰ ১০ মাৰ্চত ৫ জনীয়া সাংবিধানিক বিচাৰপীঠলৈ চূড়ান্ত শুনানিৰ বাবে প্ৰেৰণ কৰিছিল। অতিশয় দুৰ্ভাগ্যজনক কথা যে সাংবিধানিক বিচাৰপীঠে ২০২৩ চনৰ ৫, ৬, ৭ আৰু ১২ ডিচেম্বৰত গ্ৰহণ কৰা শুনানিৰ সময়ত ৬৮/২০১৬ নং গোচৰটোও তালিকাভুক্ত কৰিছিল যদিও শুনানি গ্ৰহণ কৰা নাছিল। মহাসংঘৰ অধিবক্তাই এই বিষয়টো ৫ মে'ৰ পৰা অনুষ্ঠিত হ'বলগীয়া বিচাৰৰ সময়ত ছুপ্ৰিম ক'টক অৱগত কৰিব। ভাৰতৰ ভিতৰত একমাত্ৰ অসমতে অবৈধ বিদেশীক ভাৰতীয় নাগৰিকত্ব দিয়াৰ বাবে হিন্দু-মুছলমান বিদেশী ভাগ ভাগ কৰিছে ভাৰত চৰকাৰে। দেশৰ সংবিধানসন্মত ভিত্তি বছৰ ১৯৪৮ চনৰ ১৯ জুলাই তথা ১৯৫১ ভিত্তি বছৰ সমগ্ৰ দেশতে প্ৰয়োগ হৈ থকাৰ সময়তে কেৱল অসমত ভিন ভিন তাৰিখ জাপি দি অসম যে ভাৰতৰ এখন উপনিৱেশ সেই কথা প্ৰমাণিত কৰিছে বুলি মতিউৰ ৰহমানে কয়। অসমত মুছলমান বিদেশীক নাগৰিকত্ব দিয়াৰ শেষ দিন ১৯৭১ চনৰ ২৫ মাৰ্চ। আনহাতে অসমত হিন্দু বিদেশীক নাগৰিকত্ব দিয়াৰ শেষ দিন হৈছে ২০২৪ চনৰ ৩১ ডিচেম্বৰ। উল্লেখ্য যে সমগ্ৰ ভাৰতৰ ৰাজ্যবোৰত মুছলমান বিদেশীক নাগৰিকত্ব দিয়াৰ শেষ দিন ১৯৫১ অৰ্থাৎ ১৯৫১ চনৰ লোকপিয়লত নাম থকা ভাৰতীয় মুছলমানৰ বংশধৰেহে আইনসন্মতভাৱে ভাৰতীয় নাগৰিকত্ব লাভ কৰি থাকিব। ১৯৫১ৰ পিছত ভাৰতত সোমোৱা কোনো বিদেশী মুছলমানে ভাৰতীয় নাগৰিকত্ব লাভ নকৰিব। হিন্দু বিদেশীৰ ক্ষেত্ৰতো একেই ব্যৱস্থা আছিল। কিন্তু বিজেপি চৰকাৰে সমগ্ৰ ভাৰতৰ বাবে বিদেশীক নাগৰিকত্ব দিয়াৰ ক্ষেত্ৰত হিন্দু-মুছলমান হিচাপে বিভাজন কৰিছে। ২০১৯ চনৰ পৰা সমগ্ৰ ভাৰতত হিন্দু বিদেশীক নাগৰিকত্ব দিয়াৰ শেষ তাৰিখ হৈছে ২০২৪ চনৰ ৩১ ডিচেম্বৰ। দেশৰ সংবিধান আৰু ধৰ্মনিৰপেক্ষ নীতিৰ বিৰুদ্ধে গৈ ভাৰত চৰকাৰে বিদেশীক নাগৰিকত্ব দিয়াৰ ক্ষেত্ৰত হিন্দু-মুছলমান হিচাপে বিভাজন কৰা ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাই প্ৰকৃত মানৱতাবাদী আৰু ধৰ্মনিৰপেক্ষ সংগঠন অসমৰ জাতি সংঘ অসম সন্মিলিত মহাসংঘই দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, আইন মন্ত্ৰীক কেইবাখনো স্মাৰক পত্ৰ দিছে। কিন্তু চৰকাৰে এইক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰি আছে। মতিউৰ ৰহমানে সংবাদ মাধ্যমক কয় যে ২০২৫ চনৰ ২ এপ্ৰিলত গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে ৰাজ্যসভাত কৈছিল যে 'কা'ৰ জৰিয়তে কেইবা হাজাৰ বিদেশী হিন্দু লোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে, কিন্তু তেওঁ প্ৰকৃত তথ্য দাঙি নধৰিলে। আনকি তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত এই সম্পৰ্কীয় তথ্য বিচাৰি আবেদন জনোৱাত তথ্য দিবলৈ অস্বীকাৰ কৰে ভাৰতৰ গৃহ মন্ত্ৰালয়ে। সেয়ে ৫ মে'ৰ পৰা ১২ মে'লৈ ছুপ্ৰিম ক'ৰ্টত অনুষ্ঠিত হ'বলগীয়া 'কা'ৰ শুনানি অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ হ'ব বুলি মতিউৰ ৰহমানে কয়।

# উৎকোচ লৈ হাতে-লোটে ধৰা পৰিল ৰেঞ্জাৰ শিৱাশিস শাণ্ডিল্য



ৰঙিলী বাৰ্ত্তাসেৱা- উৎকোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ লখিমপুৰৰ আঞ্চলিক বন বিষয়া শিৱাশিষ শাণ্ডিল্য । চৰকাৰী আবাসতে ১২ হাজাৰ টকা উৎকোচ লওঁতেই হাতে-লোটে দুৰ্নীতিগ্ৰস্ত বিষয়াজনক ধৰা পেলালে নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ অভিযানকাৰী দলে। লখিমপুৰ নগৰস্থিত বিভাগীয় আৱাসত বিয়লি এজন ডাম্পাৰৰ পৰা ১২ হাজাৰ টকা লওঁতেই অভিযানকাৰী দলে হাতে-লোটে ধৰে বন বিষয়াজনক। জানিব পৰা মতে অমৃত গগৈ নামৰ লখিমপুৰৰ এজন ডাম্পাৰৰ গৰাকীয়ে দিয়া অভিযোগ মৰ্মে বন বিষয়াজনে উৎকোচ লওতেই অভিযানকাৰী দলে হাতে-লোটে ধৰা পেলায়। অমৃত গগৈয়ে জনোৱা মতে মাহেকীয়াকৈ ধন নিদিয়াৰ বাবে কেইদিনমানৰ পূৰ্বে তেওঁৰ এখন ডাম্পাৰ বন বিষয়াজনে জব্দ কৰিছিল। যদিও পাছত এৰি দিয়ে। মাহেকীয়াকৈ ধন নিদিয়াৰ বাবেই ডাম্পাৰখন ধৰিছিল। ১২ হাজাৰ টকা মাহেকীয়া কিস্তিত বন বিষয়াজনে দাবী কৰে। সেয়ে তেওঁ দুৰ্নীতি নিবাৰক সঞ্চালকালয়ক বিষয়টো অৱগত কৰি আজি বিয়লি বন বিষয়াজনক ১২ হাজাৰ টকা মাহেকীয়া দিবলৈ যায়। টকা দিয়াৰ লগে লগে খাপপিটি থকা অভিযানকাৰী (দহ পৃষ্ঠাত চাওক)

# ই-চিগাৰেট সেৱন কৰি শাস্তিৰ সন্মুখীন ৰিয়ান পৰাগ




ৰঙিলী বাৰ্ত্তাসেৱা- ড্ৰেছিং ৰুমত চিগাৰেট হুপি জৰিমনাৰ সন্মুখীন ৰাজস্থান ৰয়েলছৰ অধিনায়ক ৰিয়ান পৰাগ। ৰাজস্থান ৰয়েলছৰ অধিনায়ক ৰিয়ান পৰাগক পঞ্জাব কিংছৰ বিৰুদ্ধে অনুষ্ঠিত মেচখনত ড্ৰেছিং ৰুমৰ ভিতৰত 'ভেপিং' (ই-চিগাৰেট) কৰি ধৰা পৰাৰ পিছত ভাৰতীয় ক্ৰিকেট ব'ৰ্ডে তেওঁৰ মেচ-ফিৰ ২৫ শতাংশ জৰিমনা বিহা হৈছে। লগতে তেওঁৰ গুৰুত্বপূৰ্ণ খেলুৱৈ জীৱনত 'ডিমেৰিট পইণ্ট' (demerit point) দিয়া হৈছে। আইপিএলৰ এক প্ৰেছ বিবৃতিত কোৱা হৈছে, "ৰাজস্থান ৰয়েলছৰ অধিনায়ক ৰিয়ান পৰাগে টাটা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল) ২০২৬ সংস্কৰণৰ ৪০ নং মেচত পঞ্জাব কিংছৰ বিৰুদ্ধে আইপিএলৰ খেলুৱৈ আৰু দলীয় বিষয়াৰ আচৰণ বিধিৰ পৰ্যায় ১ ভংগ কৰাৰ বাবে মেচ-ফিৰ ২৫% জৰিমনা বিহা হৈছে (নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ ছাত্ৰ য়জাত কেশানক ইছৰ'ত অনুষ্ঠিত কাৰ্য্যসূচীৰ বাবে নিৰ্বাচিত



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়স্থিত শিক্ষা ভেলী বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ য়জাত কেশানক বেংগালুৰুৰ ইছৰ'ত অনুষ্ঠিত হ'বলগীয়া 'ইউভিকা ২০২৬' কাৰ্যসূচীৰ বাবে নিৰ্বাচিত কৰা হৈছে। ইউভিকা যুৱ বিজ্ঞানী কাৰ্যসূচী হৈছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰ'ৰ এক উদ্যোগ, যাৰ জৰিয়তে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক মহাকাশ প্ৰযুক্তি, মহাকাশ বিজ্ঞান আৰু মহাকাশৰ প্ৰয়োগসমূহৰ সৈতে পৰিচয় কৰোৱা হয়। এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে "শিশুকালতেই প্ৰেৰণা দিয়া" আৰু তেওঁলোকক বিজ্ঞান, প্ৰযুক্তি, ইঞ্জিনিয়াৰিং আৰু গণিতৰ ক্ষেত্ৰত কেৰিয়াৰ গঢ়িবলৈ উৎসাহিত কৰা। অধিৱেশনখনি অহা ১০ মে'ৰ পৰা ২২ মে'লৈ বেংগালুৰুৰ ইছৰ'ত অনুষ্ঠিত হ'ব। এই অসাধাৰণ সফলতাৰ বাবে য়জাত কেশানক ডিব্ৰুগড়ৰ লগতে শিক্ষা ভেলী স্কুল কৰ্তৃপক্ষৰ পৰা অভিনন্দন জ্ঞাপন কৰে আৰু এই সোণালী সুযোগৰ বাবে তেওঁলৈ শুভেচ্ছা জনাইছে।

# এক্সৰ' বাৰৰ অনুজ্ঞা-পত্ৰ বাতিল

ৰঙিলী বাৰ্ত্তাসেৱা- ভঙাগড়ৰ জি এছ ৰোডৰ ৰুদ্ৰাক্ষ মলত অৱস্থিত এক্সৰ' (Exoro) বাৰৰ অনুজ্ঞা-পত্ৰ কামৰূপ (মহানগৰ) জিলা প্ৰশাসনে এক নিৰ্দেশযোগে বাতিল কৰিছে। ২৬ এপ্ৰিলৰ মঠঘৰীয়া দুৰ্ঘটনাৰ বলি হোৱা তিনিগৰাকী যুৱতীয়ে এই বাৰত নিশা ৩ বজালৈকে সুৰাপান কৰাৰ তথ্য পোহৰলৈ অহাৰ পিছত নীতি বহিৰ্ভূতভাৱে বাৰ খোলা ৰখাৰ বাবে এই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহানগৰীত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিগৰাকী যুৱতীৰ মৃত্যুৰ ঘটনাৰ সৈতে নাম সাঙোৰ খাই পৰিছিল উক্ত বাৰখনৰ। জিলা প্ৰশাসনৰ তথ্য অনুসৰি অনুজ্ঞা-পত্ৰৰ চৰ্ত অনুসৰি নিশা ১২.৩০ বজালৈকেহে প্ৰতিষ্ঠানটোক সুৰা পৰিৱেশন কৰিবলৈ অনুমতি প্ৰদান কৰিছিল। কিন্তু গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত (যান-বাহন)ই দাখিল কৰা প্ৰতিবেদনত ২৬ এপ্ৰিলত গেট হস্পিতালৰ সমীপৰ মঠঘৰীয়াত সংঘটিত দুৰ্ঘটনাত চিনাক্ত হোৱা চাৰিজন ব্যক্তিয়ে ৰেস্তোৰাখনলৈ আহিছিল আৰু পুৱতি নিশা প্ৰায় ৩ বজাত চৌহদৰ পৰা ওলোৱাৰ পূৰ্বে সুৰা সেৱন কৰিছিল বুলি সদৰী কৰিছিল যান-বাহন শাখাৰ ডিচিপি জয়ন্ত সাৰথি বৰাই। এই প্ৰতিবেদনৰ ভিত্তিত আবকাৰী বিভাগে কামৰূপ (মেট্ৰ')ৰ আবকাৰী অধীক্ষকৰ পৰা (নপৃষ্ঠাত চাওক)

# শ্যামকানুৰ জামিন নাকচ কৰিলে ফাষ্টট্ৰেক আদালতে



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ হত্যা গোচৰত ফাষ্টট্ৰেক আদালতে অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ আবেদন নাকচ কৰে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ আদালতে শ্যামকানু মহন্তৰ জামিনৰ আবেদন খাৰিজ কৰে। ১০ এপ্ৰিলত জামিনৰ বাবে ফাষ্টট্ৰেক আদালতত আবেদন জনাইছিল অভিযুক্ত শ্যামকানু মহন্তই। সেই আবেদনৰ ভিত্তিত আদালতে ২২ আৰু ২৩ এপ্ৰিলত হোৱা দুদিনীয়া শুনানিৰ অন্তত ৰায় সংৰক্ষিত ৰাখিছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ বৃহস্পতিবাৰে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ আদালতে শ্যামকানু মহন্তই জুবিন গাৰ্গৰ ক্ষেত্ৰত গ্ৰহণ কৰা কেতবোৰ অৱহেলাসূচক কাম-কাজ, সুৰা যোগান আদি কামৰ ক্ষেত্ৰত চৰকাৰী পক্ষই দিয়া যুক্তিৰ আধাৰত শ্যামকানু মহন্তৰ জামিন নাকচ কৰে। ফাষ্টট্ৰেক আদালতৰ ৰায়দান সন্দৰ্ভত লোক অধিবক্তা জিয়াউৰ কামাৰে সংবাদ মাধ্যমৰ আগত কয়-ঘটনা সংঘটিত হোৱাৰ পিছত জুবিনক সহায় কৰাৰ পৰিৱৰ্তে শ্যামকানু মহন্তই মালয়েছিয়ালৈ পলাই গৈছিল। তাৰ পৰা তেওঁক জাননী প্ৰেৰণ কৰিহে অনা হৈছে। যদিহে শ্যামকানু মহন্তক জামিন দিয়া হয় তেন্তে তেওঁ পুনৰ বিদেশলৈ পলাই যোৱাৰ (দহ পৃষ্ঠাত চাওক)

# চামিমৰ তেজ লগা

আওহতীয়া এলেকাটোত উপস্থিত হৈ নিজৰ তেজলগা কাপোৰ আৰু সুৰাৰ বটল এটা নলালৈ নিক্ষেপ কৰি নতুন পোছাক পৰিধান কৰি আন এখন কেবযোগে পলায়ন কৰিছিল চামিমে। দৃশ্যটোত দেখা অনুসৰি ভয়ংকৰ ঘটনাটোৰ পাছতো সম্পূৰ্ণ সুস্থ হৈ আছিল চামিম। মহানগৰ আৰক্ষীয়ে উক্ত ভয়ানক ঘটনাৰ তদন্ত অব্যাহত ৰাখি চামিম আহমেদক লৈ শ্বিলঙত অভিযান চলায়। দুৰ্ঘটনাটোৰ পাছতে তেজ লগা কাপোৰ বৰাপানীত পেলাই দিয়া বুলি আৰক্ষীক দিয়া স্বীকাৰোক্তিৰ পাছতেই ধৃত চামিমক লৈ তদন্ত কৰিছিল আৰক্ষীয়ে। কিন্তু তাত কোনোধৰণৰ তথ্য লাভ নকৰাৰ পাছত আৰক্ষীয়ে পুনৰ এই সন্দৰ্ভত চামিমক সোধা পোছা কৰাত কাপোৰখিনি মঠঘৰীয়াৰ এটা নলাত নিক্ষেপ কৰাৰ কথা অৱগত কৰে। সেইমৰ্মে আৰক্ষীয়ে মঠঘৰীয়াৰ পাহাৰ এলেকাত অভিযান চলাই এটা নলাৰ পৰা চামিমৰ তেজলগা কাপোৰখিনি জব্দ কৰে। অকল সেয়াই নহয়, কাপোৰৰ লগতে সুৰাৰ বটল এটাও আৰক্ষীয়ে নলাটোৰ পৰা জব্দ কৰে। উল্লেখ্য যে চামিম আহমেদৰ অধিবক্তাই ঘটনাটোৰ সময়ত চামিমে গাড়ী চলোৱা নাছিল বুলি সংবাদ মাধ্যমক বিভ্ৰান্ত কৰাৰ চেষ্টা চলাইছিল। কিন্তু গাড়ীখনৰ লগতে জব্দকৃত তথ্যপাতিসমূহত ফ'ৰেনছিক বিশেষজ্ঞই চামিমৰ আঙুলিৰ চাপ উদ্ধাৰ কৰিছিল। গতিকে সিদিনাখন অভিশপ্ত গাড়ীখন চামিমে যে চলাইছিল তাত কোনো সন্দেহৰ অৱকাশ নাছিল। তদুপৰি সেইদিনাখন আৰক্ষীয়ে মৃত পূজা সাহাৰ ম'বাইল ফোনটো জব্দ কৰিব পৰা নাছিল যদিও শেহতীয়াকৈ নাৰেংগীৰ এটা ছাত্ৰী নিবাসৰ সমীপৰ নলাৰ পৰা ম'বাইল ফোনটো জব্দ কৰিবলৈ সক্ষম হৈছে আৰক্ষীয়ে। এই সন্দৰ্ভত আৰক্ষীৰ এটা সূত্ৰই সদৰী কৰা মতে ঘটনাৰ দিনা শ্বিলঙলৈ পলায়ন কৰাৰ মুহূৰ্তত চামিম আহমেদে পূজা সাহাৰ ম'বাইল ফোনটো লগত নিছিল। কিছুদূৰ অতিক্ৰম কৰাৰ পাছতেই ম'বাইল ফোনটো মৃত পূজা সাহাৰ ছাত্ৰী নিবাসৰ পৰা কিছু দুৰৈৰ নলাত নিক্ষেপ কৰিছিল। আৰক্ষীয়ে পূজা সাহাৰ পৰীক্ষাৰ বাবে ফ'ৰেনছিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰিছে।

# বাণিজ্যিক ৰন্ধন গেছৰ

পেট্ৰ'ল আৰু ডিজেলৰ দাম বঢ়োৱা হোৱা নাই। দেশৰ তেল বিপণন কোম্পানীসমূহে ১৯ কেজি ওজনৰ বাণিজ্যিক চিলিণ্ডাৰসমূহৰ দাম ৯৯ টকাকৈ বৃদ্ধি কৰাৰ ফলত বিভিন্ন প্ৰস্তুত খাদ্যৰ দাম একেকোবে বহুখিনি বৃদ্ধি পোৱাৰ শংকা দেখা গৈছে। বিশেষকৈ ৰেষ্টুৰেণ্ট, হোটেল আৰু সৰুসুৰা ব্যৱসায়ীসকলে এই ব্যৱসায়িক চিলিণ্ডাৰৰ ওপৰত নিৰ্ভৰ কৰে বাবে ইয়াৰ দাম বৃদ্ধিয়ে তেওঁলোকক বেয়াকৈ প্ৰভাৱিত কৰিব। তাৰ মাজতে ঘৰুৱা এলপিজি চিলিণ্ডাৰৰ দাম অপৰিৱৰ্তিত হৈ থকাত সাধাৰণ নাগৰিকৰ বাবে কিছু সকাহ দায়ক হ'ব। আনহাতে, শুকুৰবাৰৰ পৰা কাৰ্যকৰী হোৱাকৈয়েই ৫ কেজিৰ সৰু চিলিণ্ডাৰৰ দামো ২৬১ টকা বৃদ্ধি কৰা হৈছে।

# পশ্চিমবংগত দ্বিতীয় পৰ্যায়ত ৯২.৪৭ শতাংশৰ ভোটদান



ৰঙিলী বাৰ্ত্তাসেৱা- শান্তিপূৰ্ণভাৱে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সমাপ্ত হয়। পশ্চিমবংগৰ ৭খন জিলাৰ ১৪২টা বিধানসভা সমষ্টিত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। বিপুলসংখ্যক ভোটাৰে উৎসাহেৰে ভোটদান কৰিবলৈ অহা দেখিবলৈ পোৱা যায়। ঠায়ে ঠায়ে দুই-এটা বিক্ষিপ্ত ঘটনা ঘটাৰ বাহিৰে সামগ্ৰিকভাৱে ভোটদানপৰ্ব আছিল শান্তিপূৰ্ণ। পশ্চিমবংগৰ মুখ্য নিৰ্বাচনী বিষয়া মনোজ আগৰৱালে জনোৱা মতে, দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত ৯২.৪৭ শতাংশ ভোটদান হয়। তেওঁ কয় যে কোনো কোনো ঠাইত দুই-এটা ঘটনা ঘটাৰ বাহিৰে নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। জনসাধাৰণে ইয়াক উৎসৱৰ দৰে উদযাপন কৰে। এইবাৰ ঐতিহাসিক ভোটদান সম্পন্ন হয়। দেশৰ মুখ্য ( নপৃষ্ঠাত চাওক)

# এগ্‌জিট প'লৰ মতে অসমত পুনৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰুখন ৰাজ্যৰ ভোটদান প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে প্ৰকাশ হোৱা এগজিট প'লে অসমত পুনৰ এনডিএ চৰকাৰ গঠন হোৱাৰ সম্ভাৱনা স্পষ্ট কৰিছে। লক্ষণীয়ভাৱে দেশৰ কেইবাটাও ৰাষ্ট্ৰীয় সংবাদ মাধ্যম তথা সংস্থাই প্ৰকাশ কৰা এগজিট প'লত এনডিএক ৮৮-১০১খন আসন দিয়াৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধীক সৰ্বাধিক ৩০-৪০খন আসনতে সীমাবদ্ধ ৰাখিছে। অহা ৪ মে'ৰ নিৰ্বাচনী ফলাফল ঘোষণাৰ পূৰ্বে দেশৰ আগশাৰীৰ সমীক্ষাকাৰী সংস্থাই প্ৰকাশ কৰা এগজিট প'লত বিজেপি নেতৃত্বাধীন এনডিএৰ চমকপ্ৰদ উত্থানৰ লগতে বিৰোধী কংগ্ৰেছৰ ধৰাশায়ী অৱস্থাৰ কথাও একপ্ৰকাৰ আঙুলিয়াই দিছে। ইণ্ডিয়া টুডে-এক্সিছ মাই ইণ্ডিয়াই প্ৰকাশ কৰা সমীক্ষাত বিজেপি মিত্ৰদলক ৮৮-১০০ আসন দিয়াৰ বিপৰীতে কংগ্ৰেছক ২৪-৩৬ আসন প্ৰদান কৰিছে। আনহাতে মেট্ৰিজে প্ৰকাশ কৰা সমীক্ষাত এনডিএক ৮৫-৯৫খন আসন দিয়াৰ বিপৰীতে কংগ্ৰেছ আৰু মিত্ৰদলক দিছে ২৫-৩২খন আসন। আনহাতে অন্যান্যই লাভ কৰিছে ৬-১২খন আসন। ইফালে জেভিচি-টাইমছ নাৱে প্ৰকাশ কৰা সমীক্ষাত বিজেপি নেতৃত্বাধীন ( নপৃষ্ঠাত চাওক)

# এইবাৰ বিৰোধীৰ চৰকাৰ হ'বঃঅখিল গগৈ



ৰঙিলী বাৰ্ত্তাসেৱা- বিভিন্ন সংস্থাই প্ৰকাশ কৰা এগজিট প'লক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে। শিৱসাগৰ সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা অখিল গগৈয়ে এগজিট প'ল প্ৰসংগত কয়- এগজিট প'লে যি সমীক্ষা আগবঢ়ায়, তাক কৰি থাকক। কিন্তু এইবাৰ অসমত বিৰোধী মিত্ৰজোঁটৰ চৰকাৰ হোৱাটো নিশ্চিত। এক ভিডিঅ' বাৰ্তাত অখিল গগৈয়ে উল্লেখ কৰে- এগজিট প'ল প্ৰকাশৰ বিষয়টো আঁতৰাই বিৰোধী সকলো দলেই ষ্ট্ৰংৰুমসমূহ পহৰা দি থাকিব লাগে। আমি তথা ৰাইজৰ দল নিশ্চিত হৈ আছোঁ যে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমৰ মানুহে পৰিৱৰ্তনৰ বাবে ভোটদান কৰিছে। ( নপৃষ্ঠাত চাওক)

# নিৰ্বাচনত জয়ী হোৱাৰ পাছত উলিয়াব নোৱাৰিব সমদলঃ অনুৰাগ গোৱেল



ৰঙিলী বাৰ্ত্তাসেৱা-ৰাজ্যৰ ১২৬ টা সমষ্টিত ৯ এপ্ৰিলত অনুষ্ঠিত হোৱা ভোটদান প্ৰক্ৰিয়াৰ পাছত এতিয়া অহা ৪ মে'ত ভোটগণনাৰ বাবে সাজু হৈছে নিৰ্বাচন আয়োগ। অসমৰ নিৰ্বাচনী ইতিহাসত এইবাৰ সৰ্বাধিক ভোটদান হৈছে। অহা ৪ মে'ত অনুষ্ঠিত হ'ব ভোটগণনা আৰু ঘোষিত হ'ব ফলাফল। কিন্তু এইবাৰ এই ভোটগণনাৰ পিছত জয়ী হোৱা কোনো দল বা প্ৰাৰ্থীয়ে সমদল উলিয়াব নোৱাৰিব। এইক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে নিৰ্বাচন আয়োগে। বুধবাৰে ভোটগণনা পৰ্বৰ প্ৰস্তুতিকে ধৰি বিভিন্ন দিশ সামৰি দিছপুৰ লোকসেৱা ভৱনত সংবাদমেল সম্বোধন কৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে। সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে প্ৰকাশ কৰা অনুসৰি ৪ মে'ত অনুষ্ঠিত হ'বলগা ভোটগণনাৰ বাবে ৩৫খন জিলাত মুঠ ৪০টা ভোটগণনা কেন্দ্ৰ সাজু কৰা হৈছে। পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'বলগা এই ভোটগণনাৰ বাবে ইতিমধ্যে সাজু কৰি তোলা হৈছে গণনা কৰ্মচাৰী, মাইক্ৰ' পৰ্যবেক্ষককে ধৰি গণনাৰ সকলো প্ৰস্তুতি। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৰাজ্যৰ ১২৬টা সমষ্টিৰ প্ৰতিটোৰ বাবে ( নপৃষ্ঠাত চাওক)

# দৰং জিলা বিষয় শিক্ষক

চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চালমা তবাচুম (৮৭%) ক সম্বৰ্ধনা জনায়। ইয়াৰ পাছত পশ্চিম দৰংৰ ক্ৰমে ৰাজঘাট উঃ মাঃ বিঃৰ ভাৱনা ডেকা (৭৫.২০%), ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ টপাৰ ফুলপাহী বেগম (৮৭%)ক, ডাঁহী উঃ মাঃ বিঃ জ্যোতিস্মা ডেকা (৯০%)ক, বিজ্ঞান শাখাৰ দেওমৰনৈ উঃ মাঃ বিঃৰ সীমা ডেকা (৮২.৬০%) ক, দেওমৰনৈ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰিমলী কলিতা (৮৬.৬৭%) ক, বুঞ্জীনগৰ ছিঃ ছেকেণ্ডাৰীৰ চন্দনা চহৰীয়া (৮৯.৫০%) ক, বৰমপুৰ উঃ মাঃ বিঃৰ চাবিহা চবনম (৭৬%)ক, পাথৰিঘাট উঃ মাঃ বিঃৰ চাবিনা চুলটান খানম (৮২.৮০%) ক আৰু দুনী উঃ মাঃ বিঃৰ মৈত্ৰেয়ী মহন্ত (৮৬.৮০%) ক, কুৰুৱা উঃ মাঃ বিঃৰ বিশাল দাস (৮৩'২০%) ক, গৰুখুঁটি উঃ মাঃ বিঃৰ নাজমা বেগম (৭৯%)ক, গান্ধীস্মৃতি উঃ মাঃ বিঃৰ জনাৰ্দন ডেকা (৯১%) ক, ছিপাঝাৰ বহুমুখী উঃ মাঃ বিঃৰ বৰষাৰাণী বৰুৱা (৮৯.৮০%) আৰু পশ্চিম ৰঙামাটি উঃ মাঃ বিঃৰ আবু চামা আলী (৯০%)একোখনকৈ সম্বৰ্ধনা পত্ৰ আৰু ফুলাম গামোচাৰে ভৱিষ্যত জীৱন উজ্জলতৰ হোৱাৰ আশীৰ্বাদ প্ৰদান কৰে। উল্লেখ্য যে অভিভাৱক আৰু শৈক্ষিক সমাজে উক্ত কাৰ্যসূচীক ভূয়সী প্ৰশংসা কৰিছে। জিলা সন্থাৰ সভাপতি দীপক নাথে আৰু জনোৱা মতে অহা দেওবাৰে বন্ধৰ দিনত অৱশিষ্ট ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ সৰ্বোচ্চনম্বৰ প্ৰাপকৰ প্ৰতি গৰাকীৰ ঘৰে-ঘৰে গৈ আশীৰ্বাদ তথা সম্বৰ্ধনা জনোৱা হব।

# মহিলা টি-২০ বিশ্বকাপ ২০২৬ৰ বাবে ভাৰতীয় দল ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড চমুকৈ বিচিচিআইয়ে মহিলা টি-২০ বিশ্বকাপ ২০২৬ৰ বাবে শনিবাৰে ভাৰতৰ ১৫ জনীয়া দল ঘোষণা কৰে। শনিবাৰে বাছনি সমিতিৰ বৈঠকৰ অন্তত বিচিচিআইয়ে দলটোক চূড়ান্ত কৰে। এই বৈঠকত ভাৰতীয় দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰ, মুখ্য প্ৰশিক্ষক অমল মজুমদাৰ, বাছনি সমিতিৰ অধ্যক্ষ অমিতা শৰ্মা আৰু বিচিচিআইৰ সম্পাদক দেৱজিৎ লন শইকীয়াই অংশগ্ৰহণ কৰে। বিচিচিআইয়ে ঘোষণা কৰা দলটোত হ'ল- হৰমনপ্ৰীত কৌৰ (অধিনায়ক), স্মৃতি মান্ধনা, শ্বেফালী বাৰ্মা, ৰিচা ঘোষ, যস্তিকা ভাটিয়া, নন্দিনী শৰ্মা, ক্ৰান্তি গৌড়, ৰাধা যাদৱ, জেমিমা ৰড্ৰিগেছ, ৰেণুকা সিং, শ্ৰেয়ংকা পাটিল, শ্ৰী চৰাণী, অৰুন্ধতী ৰেড্ডী, অনুষ্কা শৰ্মা আৰু দীপ্তি শৰ্মা। ইংলেণ্ডত ১২ জুনৰ পৰা ৫ জুলাইলৈ অনুষ্ঠিত হ'ব মহিলা টি-২০ বিশ্বকাপৰ দশম সংস্কৰণ। ভাৰতে অষ্ট্ৰেলিয়া, বাংলাদেশ, নেদাৰলেণ্ড, পাকিস্তান, আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে গ্ৰুপ এত স্থান লাভ কৰিছে আৰু ১৪ জুনত দলটোৱে পাকিস্তানৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।

# ডিব্ৰুগড়ৰ চেমিম আখতাৰা

লগতে বিভিন্ন সামাজিক ক্ষেত্ৰত আগবঢ়োৱা সেৱাৰ বাবে এই বিশেষ স্বীকৃতি লাভ কৰে। চেমিম আখতাৰা আলি ডিব্ৰুগড়ৰ নালিয়াপুলৰ জ্যেষ্ঠ সাংবাদিক তথা "আলোৰণ" কাকতৰ সম্পাদক প্ৰয়াত ৰহমত আলি আৰু ভিক্টোৰিয়া এইচ এছ বেংগলী বালিকা বিদ্যালয়, ডিব্ৰুগড়ৰ উপাধ্যক্ষা প্ৰয়াত জেবিন আখতাৰা বেগমৰ দ্বিতীয় কন্যা আৰু সমাজসেৱক ইমদাদ আলিৰ(ৰাতুল) পৰিবাৰ। উল্লেখ যোগ্য যে ইয়াৰ পূৰ্বে তেওঁ ২০২৪ চনত ফৰ এভাৰ ষ্টাৰ ইণ্ডিয়াৰ দ্বাৰা 'ছুপাৰ উইমেন বঁটা', ২০২৫ চনত 'টপ টায়াৰ বটা' আৰু ২০২৬ চনত 'ফেমিনা গেম চেঞ্জাৰ নৰ্থ ইষ্ট বঁটা' লাভ কৰিছে। এগৰাকী কবি হিচাপে চেমিম আখতাৰা আলিয়ে ইতিমধ্যে ৫০০ ত কৈও অধিক কবিতা ৰচনা কৰাৰ লগতে এখন উপন্যাসৰ কামো সম্পূৰ্ণ কৰিছে। তেওঁৰ এই সাফল্যত অঞ্চলটোত আনন্দ প্ৰকাশ কৰিছে।

# সৰ্ব কালৰ, সৰ্ব স্তৰৰ বন্ধু কিতাপ



জ্ঞানৰ ভাণ্ডাৰ জীৱন সংগী স্বৰূপ কিতাপ। পৃথিৱীৰ সৰ্বকালৰ সৰ্ব শক্তিমান । কিতাপ এখনে মানুহৰ চিন্তাধাৰাক সলাই দি নিজৰ মনটোক নিয়ন্ত্ৰণাধীন কৰি জীৱনটোকে সলনি কৰি দিব পাৰে। সময়ক ধৰি ৰখাৰ এক আহিলা। অনেক সময়ত জীৱন লগৰী, কেতিয়াও কোনো লোকক বিশ্বাস ঘাটকতা নকৰা শক্তিশালী বন্ধু । ম'বাইলৰ পূৰ্বে পৃথিৱীখনৰ সমস্তজ্ঞান অতি কম সময়ৰ ভিতৰত জানিবলৈ কিতাপে যুগে যুগে মানুহক প্ৰেৰণা দি আহিছে। মানৰ জীৱনৰ আদিৰে পৰা বৰ্তমানলৈ প্ৰতিটো সময়ৰ সাক্ষী। এখন সমাজৰ পথ পদৰ্শক। সমাজ জীৱনৰ লগতে জীৱনৰ সুখ- দুখ, হৰ্ষ-বিষাদৰ লগৰী। জীৱনৰ প্ৰতিটো স্তৰতে সংগ দি এজন লোকক পুষ্ট কৰিব পৰা শক্তি, আজীৱন বন্ধুত্বৰ দোলেৰে বান্ধি ৰাখিব পাৰে একমাত্ৰ কিতাপখনে। এখন কিতাপে জীৱনত যিমান এৰাব নোৱাৰা সংকটৰ মুহূৰ্ত আহিলেও কেতিয়াও লগ এৰি নাযায়। ওলোটা সাহসেৰে আগবাঢ়ি যাবলৈ প্ৰেৰণাহে দিয়ে।

**নমিতা দাস, শুৱালকুছি**

কণ মানি শিশুৰ পৰা বৃদ্ধ লৈ প্ৰত্যেক স্তৰৰে লোকৰ সংগী হ'ব পাৰে এখন কিতাপ। ভাল কিতাপ এখনে অন্ধ লোককো জ্ঞানৰ পোহৰ বিলাই সৎ পথৰ বাট দেখুৱাই।

পৃথিৱীৰ এনে বহু কিতাপ আছে যি কিতাপে এখন দেশ, এটা জাতীৰ চিনাকি কৰি দিয়ে। সেয়ে হয়তো হিয়াৰ আমঠু জুবিন গাৰ্গে কৈছিল কিতাপ নপঢ়িলে গামোচাই এটা জাতিক জীয়াই ৰাখিব নোৱাৰে। গতিকে কিতাপে এখন দেশ, এখন সমাজ, এটা জাতীৰ দাপোন হৈ সৰ্ব কালত জন-গনৰ মাজত বন্ধুত্ব পুৰ্ণ সম্পৰ্কৰে জাতিটোক চিনাকি কৰি দিয়ে

মানব জীৱনৰ প্ৰত্যেকটো স্তৰৰে উপযোগী কিতাপ। শিশু সকলৰ বাবে কাৰ্টুনৰ কিতাপ এখন সংগী হৈ শিশুৰ মানসিক উৎকৰ্ষ সাধন কৰিব পাৰে। ঠিক সেইদৰে যুৱক - যুৱতী সকলক ৰাজনীতি, সমাজনীতিৰ, ভৌগলীক জ্ঞান, বিজ্ঞান, প্ৰযোক্তিবিদ্যা, বুৰঞ্জী গল্প, কবিতা, ৰূপ চৰ্চা, শৰীৰ চৰ্চা, প্ৰতিটো বিষয়ৰ কিতাপৰ সহায়ত জ্ঞানলাভ কৰিব পাৰে । পৃথিৱীৰ ইমুৰৰ পৰা সিমুৰলৈ প্ৰতিটো জীৱ- জগতৰ জ্ঞানেৰে সমৃদ্ধ কৰিব পাৰে, আকৌ কিতাপে অকল যে সামাজিক, ৰাজনৈতিক জ্ঞানেৰে সমৃদ্ধ কৰিব পাৰে তেনে নহয় মানৰ জীৱনৰ লগতে সমস্ত জীৱ জগতৰো জ্ঞানে মানব দেহৰ লগতে পশু-পক্ষীক জীৱন দান দিব পাৰে । গতিকে কিতাপৰ সহায়ত পৃথিৱীৰ প্ৰতিটো বস্তুৰে জ্ঞান পাবলৈ সক্ষম হওঁ। কিতাপৰ জ্ঞানেৰে সমৃদ্ধ হৈ জীৱনৰ বিভিন্ন শিক্ষাগত অৰ্হতা অৰ্জনেৰে জীৱিকাৰ পথ *(বাৰপৃষ্ঠাত চাওক)*

# লক্ষ্য নিৰ্ধাৰণ আৰু সফলতা




**কানুপ্ৰিয়া ডেকা, বৰপেটা, হাউলী**

মানৰ জীৱন এটা যাত্ৰাৰ দৰে। এই যাত্ৰাত কেতিয়াবা সুখ, কেতিয়াবা দুখ, কেতিয়াবা সফলতা আৰু কেতিয়াবা ব্যৰ্থতা আহে। কিন্তু এই সকলোবোৰৰ মাজতো যিজনে নিজৰ জীৱনৰ দিশ স্পষ্ট কৰি ৰাখে, সেয়াই জীৱনত আগবাঢ়ি যাব পাৰে। এই দিশটো স্পষ্ট কৰি তোলাৰ মূল উপায় হ'ল-লক্ষ্য নিৰ্ধাৰণ। লক্ষ্য অবিহনে জীৱন যেন দিশহীন নাও; য'ত বতাহে লৈ যায়, তাতেই যায়। সেয়ে লক্ষ্য নিৰ্ধাৰণ আৰু সফলতা একে আনৰ সৈতে ঘনিষ্ঠভাৱে জড়িত।

প্ৰথমে আমি লক্ষ্যৰ অৰ্থ বুজা প্ৰয়োজন। লক্ষ্য মানে হ'ল জীৱনত আমি কি কৰিব বিচাৰো, ক'ত পোৱাটো বিচাৰো, আৰু কিদৰে নিজৰ সপোন পূৰণ কৰিব বিচাৰো তাৰ স্পষ্ট ধাৰণা। ই কেৱল এটা সপোন নহয়, বৰঞ্চ এক সুসংগঠিত পৰিকল্পনা। যেতিয়া এজন মানুহে নিজৰ লক্ষ্য নিৰ্ধাৰণ কৰে, তেতিয়া তেওঁ নিজৰ পথটো স্পষ্টকৈ দেখিবলৈ পায়। উদাহৰণস্বৰূপে, এজন ছাত্ৰই যদি চিকিৎসক হ'বলৈ লক্ষ্য লয়, তেন্তে তেওঁ সেই অনুসৰি অধ্যয়ন, পৰিশ্ৰম আৰু সময় ব্যৱস্থাপনাত মনোনিৱেশ কৰে।

লক্ষ্য নিৰ্ধাৰণৰ গুৰুত্ব অতি বেছি। ই মানুহক অনুপ্ৰাণিত কৰে, দিশ দিয়ে আৰু জীৱনত শৃংখলা আনে। লক্ষ্য থকা মানুহে সময় অপচয় নকৰে, কাৰণ তেওঁ জানে যে তেওঁ ক'ত পোৱাটো বিচাৰে। তেনে মানুহে সমস্যাৰ সন্মুখীন হলেও সহজে হাৰ মানি নাথাকে। লক্ষ্যই তেওঁক আগবাঢ়িবলৈ শক্তি দিয়ে। লক্ষ্য অবিহনে মানুহে বহু সময়ে অনিশ্চয়তা আৰু বিভ্ৰান্তিত ভোগে।

এতিয়া সফলতাৰ কথা ক'ব যাওঁ। সফলতা মানে কেৱল ধন-সম্পত্তি বা খ্যাতি নহয়। সফলতা মানে নিজৰ লক্ষ্য পূৰণ কৰা আৰু জীৱনত সন্তুষ্টি লাভ কৰা। এজন শিক্ষক যদি তেওঁৰ ছাত্ৰ-ছাত্ৰীক ভালদৰে শিক্ষাদান কৰি তৃপ্তি পায়, তেন্তে সেয়াও সফলতা। সেয়ে সফলতাৰ সংজ্ঞা মানুহে মানুহে বেলেগ বেলেগ হ'ব পাৰে, কিন্তু লক্ষ্য পূৰণেই সফলতাৰ মূল।

লক্ষ্য আৰু সফলতাৰ মাজত এক সুদৃঢ় সম্পৰ্ক আছে। যিজনে লক্ষ্য স্থিৰ কৰে আৰু তাৰ বাবে একাগ্ৰতাৰে পৰিশ্ৰম কৰে, তেওঁ নিশ্চয় সফলতা লাভ কৰে। অৱশ্যে এই পথটো সদায় সহজ নহয়। বহু বাধা, বিপত্তি আৰু ব্যৰ্থতা আহিব পাৰে। কিন্তু এইবোৰেই মানুহক *( সাতপৃষ্ঠাত চাওক)*

# দুখ

**পৰিস্মীতা বৰা, মাজুলী**



দুখ যেন এখনি সাগৰ
সাগৰৰ বুকুৰে বাগৰে,
কেৱল বিষাদৰ চকুলো আৰু চকুলো ।।
দুখ বোৰ যেন নাইকিয়া নহয়
কেৱল শেষ হয় সুখৰ বাট ।
সুখৰ বাটত ভাহি ভাহি
ইমানে ভাগৰি পৰিছো মই,
কেৱল পাইছো দুখৰ সাগৰ ।।
নালাগে অ' সুখ নাহিবি মোৰ কাষৰলে
এদিন সুখ দি আকৌ বিষাদৰ চকুলো দিবলে ।
বুকুত হাজাৰ হাজাৰ দুখ সাৰটি
আজি দেখোন সুখবোৰ চিনি নাপাওঁ ।।
আজি জীৱন জীয়াবলৈ দেখোন
দুখবোৰহে মোৰ ভাল লাগে ,
ভাল লাগে বিষাদ আৰু চকুলো।
দুখৰ মাজতো যেন বিচাৰি পাও
জীয়াই থকাৰ এটি প্ৰেৰণা মাথোন।।

# জীৱন মানে কি ?



**গকুল চৌধুৰী, হাকামা, ধুবুৰী**

জীৱন মানে কি ?
জীৱন মানে কি ?
জীৱন মানে হয়তো
হয়তো জন্ম আৰু
মৃত্যুৰ বুৰঞ্জী।
জীয়াই থাকিবলৈ
মানুহে কৰা এখন
যুদ্ধ অথবা মহাযুদ্ধ।
আদিৰ পৰা অন্তলৈ
আৰম্ভণিৰ পৰা
জীৱনৰ সমাপ্তিলৈ
সুখ, দুখ, হাঁহি
কান্দোন, হতাশা
নিৰাশা, যন্ত্ৰণা
বিষাদ, বেদনা
আশা, প্ৰত্যাশা
সপোন, সংগ্ৰামৰ
মৌন ভাষাৰে লিখা
জীৱন মানে হ'ল
জীৱন মানে হ'ল
এখন কিতাপ অথবা
গ্ৰন্থ
এখন কাব্য অথবা
মহাকাব্য ।

# "ছাঁ" ৰ দৰেই



বনজিত দাস,বিহাবাৰী, বজালী

তেওঁ মোক লগ ধৰে সন্তৰ্পণে
যেতিয়া নিসঙ্গতাই নেৰে,
আচলতে তেওঁ সুবিধাবাদীত ওস্তাদ
বিপদে যেতিয়া পিছত লাগে ।
পথ এৰি অবাটে গ'ল বুলি তেওঁ হাঁহে
তথাপি তেওঁ পথ নেদেখুৱায়,
তেওঁ বাৰু কেনে ধৰনৰ ধুৰন্ধৰ হ'ব
সময়ৰ শৰ মাৰিবও জানে ।
যেতিয়াই উপায়হীন দিশহাৰাত বন্দী
সংগোপণে সোমাই কোঠালিত,
বুকুখন বিষায় ভাৱাক্ৰান্ত নিঠৰুৱাত
তেওঁৰ অতপালিত হওঁ অতিষ্ঠ।
সঁচাকৈ তেওঁ কেনেধৰণৰ হ'ব দগাবাজ
তেওঁক অনুমতিৰ নাই প্ৰয়োজন,
এতিয়া তেওঁৰ উপস্থিতিত সজাগ হমেই হম
তেওঁ মোৰেই বন্ধু "দুখ" ।

# উথলি উঠা মৰম



মেৰী বৰদলৈ, নগাঁও

দুচকুৰ একোণত
এখৰাহি জোনাক উথলি
উঠিছে আজি..
জানো মই
সেই জোনাকৰ
আঁৰত যে
তুমি নামৰেই
চিকমিকনি....
বুকুত বৰষিছে
এসোপা
প্ৰণয়ৰ বৃষ্টি আজি..
জানো মই
সেই বৃষ্টিৰ
আঁৰতেই যে
তুমি নামৰ প্ৰবাল সুঁতি....
মোৰ স্পন্দিত
হৃদয়ত
ঘন উশাহটিয়ে আজি
ঘনাই ধিপধিপনিৰ
ঢৌ তুলিছে...
জানো মই
সেই ঘন উশাহৰ
ধিপধিপনি ঢৌৰ নামেই যে
তুমি...!

# যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন



মানুহৰ জীৱনত সময়েই আটাইতকৈ মূল্যবান সম্পদ। ধন-সম্পত্তি, সন্মান বা যিকোনো বস্তু হেৰুৱালে পুনৰ লাভ কৰিব পৰা যায়, কিন্তু সময় এবাৰ গ'লেই চিৰদিনৰ বাবে গ'ল। সেই বাবেই কেতিয়াবা মনত এক গভীৰ চিন্তা জাগে-যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন! এই কল্পনাই মানুহক এক অদ্ভুত অনুভৱ দিয়ে, য'ত আছে আফচোচ, আশা, স্মৃতি আৰু নতুনকৈ আৰম্ভ কৰাৰ এক অদম্য আকাংক্ষা।

**ডলী ফুকন,লখিমপুৰ**

যদি সচাই সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন, তেন্তে প্ৰথমে আমি নিজৰ জীৱনৰ ভুলবোৰ শুধৰাব বিচাৰিলোঁহেঁতেন। জীৱনত আমি বহু ভুল কৰোঁ-কেতিয়াবা অজানিতে, কেতিয়াবা অৱহেলাত। কিছুমান ভুলে আমাৰ মনত গভীৰ দাগ এৰি যায়। যদি সেই মুহূৰ্তবোৰলৈ পুনৰ উভতি যাব পাৰিলোঁহেঁতেন, তেন্তে হয়তো আমি সেই সিদ্ধান্তবোৰ সলনি কৰিলোঁহেঁতেন, কিছুমান কথা নক'লোঁহেঁতেন, কিছুমান কাম ভালদৰে কৰিলোঁহেঁতেন। এই চিন্তাই আমাক বুজায় যে সময়ৰ প্ৰতিটো মুহূৰ্ত কিমান গুৰুত্বপূৰ্ণ।

ইয়াৰ লগতে, সময় ঘূৰাই অনাৰ আকাংক্ষাৰ সৈতে জড়িত থাকে স্মৃতিৰ মাধুৰ্য। আমাৰ জীৱনত কিছুমান মুহূৰ্ত থাকে, যিবোৰ অতি আনন্দদায়ক-শৈশৱৰ নিৰ্মল দিনবোৰ, বন্ধুৰ সৈতে কটোৱা সময়, পৰিয়ালৰ সৈতে ভাগ-বতৰা কৰা হাঁহি। যদি সময় উভতি আহিলেহেঁতেন, তেন্তে আমি সেইবোৰ মুহূৰ্ত পুনৰ জীয়াই তুলিব বিচাৰিলোঁহেঁতেন। এইবোৰ স্মৃতিয়ে আমাৰ মনত এক মধুৰ বেদনা সৃষ্টি কৰে-যাক ইংৰাজীত 'nostalgia' বুলি কোৱা হয়।

কিন্তু সময় ঘূৰাই অনাটো যদি সম্ভৱ হ'লহেঁতেন, তেন্তে ইয়াৰ কিছুমান জটিল দিশো থাকিলেহেঁতেন। যদি আমি অতীত সলনি কৰোঁ, তেন্তে বৰ্তমানো সলনি হ'ব। হয়তো যি ভুলবোৰৰ পৰা আমি শিক্ষা লৈছোঁ, সেইবোৰ নোহোৱা হ'লে আমি আজিৰ দৰে নাথাকিলোঁহেঁতেন। জীৱনৰ বহু অভিজ্ঞতাই আমাক গঢ়ি তোলে। সেয়ে, অতীত সলনি কৰাৰ চেষ্টা কৰিলে হয়তো আমি নিজৰ অস্তিত্বকো সলনি কৰি পেলাম।

**আগলৈ...**

# লক্ষ্য নিৰ্ধাৰণ আৰু সফলতা

অধিক শক্তিশালী কৰি তোলে। ব্যৰ্থতা কোনো অন্ত নহয়; ই সফলতাৰ এক ধাপ। যিজনে ব্যৰ্থতাৰ পৰা শিক্ষা লৈ আগবাঢ়ি যায়, সেয়াই শেষত সফল হয়।

লক্ষ্য নিৰ্ধাৰণ কৰাৰ সময়ত কিছুমান কথা মনত ৰখা প্ৰয়োজন। প্ৰথমতে লক্ষ্য বাস্তৱসন্মত হ'ব লাগিব। অতিশয় অবাস্তৱ লক্ষ্য ল'লে হতাশা আহিব পাৰে। দ্বিতীয়তে, লক্ষ্য স্পষ্ট হ'ব লাগিব। অস্পষ্ট লক্ষ্যৰে আগবাঢ়িবলৈ অসুবিধা হয়। তৃতীয়তে, লক্ষ্যৰ বাবে সময়সীমা থাকিব লাগিব। সময়সীমা থাকিলে মানুহে অধিক দায়িত্বশীলভাৱে কাম কৰে। ইয়াৰ লগতে পৰিকল্পনা, অধ্যৱসায় আৰু ধৈৰ্য্যা অতি প্ৰয়োজনীয়।

সফলতা লাভৰ বাবে কেৱল লক্ষ্য স্থিৰ কৰাই যথেষ্ট নহয়; তাৰ বাবে কঠোৰ পৰিশ্ৰম, নিয়মিততা আৰু ইতিবাচক মনোভাৱো দৰকাৰ। বহু সময়ত মানুহে আৰম্ভণিতে উৎসাহেৰে কাম আৰম্ভ কৰে, কিন্তু মাজত হেৰুৱাই পেলায়। এই ক্ষেত্ৰত ধৈৰ্য্য আৰু একাগ্ৰতা অত্যন্ত প্ৰয়োজনীয়। "ধীৰে ধীৰে আগবাঢ়িলেও আগবাঢ়ি যোৱা"-এই মনোভাৱেই মানুহক সফলতাৰ দিশে লৈ যায়।

আজি আধুনিক যুগত প্ৰতিযোগিতা বহুত বেছি। এনে সময়ত লক্ষ্য নিৰ্ধাৰণ নকৰিলে মানুহে সহজে পিছ পৰি যাব পাৰে। সেয়ে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে শৈশৱৰ পৰা লক্ষ্য স্থিৰ কৰা অভ্যাস গঢ়ি তোলা উচিত। অভিভাৱক আৰু শিক্ষকসকলো এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক সঠিক দিশ দেখুৱাব পাৰে আৰু তেওঁলোকৰ মনোবল বৃদ্ধি কৰিব পাৰে।

লক্ষ্য নিৰ্ধাৰণ আৰু সফলতা একে মুদ্ৰাৰ দুটা পিঠি। লক্ষ্য অবিহনে সফলতা সম্ভৱ নহয়, আৰু সফলতা লাভ কৰিবলৈ লক্ষ্য স্পষ্ট হ'ব লাগিব। জীৱনত আগবাঢ়িবলৈ হ'লে আমি নিজৰ লক্ষ্য স্থিৰ কৰিব লাগিব, তাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিব লাগিব আৰু কোনো বাধাৰ সন্মুখত হাৰ নামানিব লাগিব। তেতিয়াহে আমি সঁচাকৈয়ে সফলতা লাভ কৰিব পাৰিম আৰু জীৱনটোক অৰ্থপূৰ্ণ কৰি তুলিব পাৰিম। লক্ষ্য নিৰ্ধাৰণ আৰু সফলতাৰ বিষয়টো আৰু গভীৰভাৱে বুজিবলৈ হ'লে আমি লক্ষ্যৰ প্ৰকাৰসমূহৰ ওপৰতো দৃষ্টি দিব লাগিব। সাধাৰণতে লক্ষ্য দুটা ধৰণৰ হ'ব পাৰে-স্বল্পমেয়াদী লক্ষ্য আৰু দীৰ্ঘমেয়াদী লক্ষ্য। স্বল্পমেয়াদী লক্ষ্যবোৰ হ'ল সৰু সৰু স্তৰ, যিবোৰে আমাক দীৰ্ঘমেয়াদী লক্ষ্যত উপনীত হ'বলৈ সহায় কৰে। উদাহৰণস্বৰূপে, এজন ছাত্ৰই যদি উচ্চ নম্বৰ লাভ কৰাৰ লক্ষ্য লয়, তেন্তে প্ৰতিদিনে অধ্যয়নৰ সময় নিৰ্ধাৰণ কৰা এটা স্বল্পমেয়াদী লক্ষ্য। এইদৰে সৰু সৰু লক্ষ্য পূৰণ কৰোঁতে কৰোঁতে ডাঙৰ লক্ষ্য সহজ হৈ পৰে।

ইয়াৰ লগতে লক্ষ্য স্থিৰ কৰাৰ ক্ষেত্ৰত আত্ম-জ্ঞান অতি গুৰুত্বপূৰ্ণ। মানুহে প্ৰথমে নিজকে বুজিব লাগিব-নিজৰ শক্তি, দুৰ্বলতা, আগ্ৰহ আৰু সাৰ্মথ্য। যেতিয়া মানুহে নিজৰ ক্ষমতা আৰু সীমা বুজি লক্ষ্য নিৰ্ধাৰণ কৰে, তেতিয়া সেই লক্ষ্য পূৰণ কৰাৰ সম্ভাৱনা বেছি হয়। অন্যৰ অনুকৰণত লক্ষ্য স্থিৰ কৰিলে বহু সময়ে হতাশা আহে। সেয়ে নিজৰ স্বকীয়তা বজাই ৰাখি লক্ষ্য নিৰ্ধাৰণ কৰাটো বুদ্ধিমত্তাৰ কাম।

আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল সময় ব্যৱস্থাপনা। লক্ষ্য থাকিলেও যদি সময় সঠিকভাৱে ব্যৱহাৰ কৰিব নোৱাৰি, তেন্তে সফলতা লাভ কৰাটো কঠিন। সময় এক মূল্যবান সম্পদ, যাক এবাৰ নষ্ট কৰিলে ঘূৰাই পোৱা নাযায়। সেয়ে প্ৰতিদিনৰ কামসমূহ আগতে পৰিকল্পনা কৰি, অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰি আগবাঢ়িলে লক্ষ্য পূৰণ সহজ হয়। এই ক্ষেত্ৰত নিয়মিততা আৰু শৃংখলা অতি প্ৰয়োজনীয়।

**আগলৈ...**

# Is it Destiny...?



যোৱাখণ্ডৰ পৰা..

**নাচিমা য়াচমিন, বিশ্বনাথ**

চাৰি বছৰৰ আগত সকলো শেষ হৈছিল যদিওঁ destiny য়ে আকৌ এবাৰ সুযোগ দিছে যেন সকলো ভুল বুজাবুজিৰ অন্ত পেলাবলৈ। অনুৰাগে ৰাগিনিৰ মনত বাস লৈ থকা ভুল ধাৰণাখিনি শেষ কৰিব বুলিয়েই তাইক লগত লৈ আহিছে।

“ ৰাগিনি, এই ফালে আহা।”

বেলকণিত থিয় হৈ আছে দুয়ো। জোনবাইজনীৰ উজ্জ্বল পোহৰ আহি ৰাগিনিৰ মুখমণ্ডল স্পৰ্শ কৰিছে। অনুৰাগে তাইৰ চচমাযোৰ খুলি দিলে। এহাতেৰে তাইৰ গালত হাত ফুৰাই দি একেৰাহে চকুৰ ফালে চাই থাকিল। তাই আকৌ এবাৰ অনুৰাগৰ চকুৰ গভীৰতাত ডুবি যোৱাৰ পৰা বাচিবলৈ পলাই আহিব খোজে।

“ ৰাগিনি, নাযাবা প্লিচ। সেইদিনা মই যিবোৰ কৈছিলো, সঁচা কৈছিলো। এটা শব্দয়ো মিচা নাছিল।”

:“ হুম, জানো মই।”

:“ তেন্তে কিয় মোৰ পৰা পলাব বিচাৰি আছা? থাকা না অলপ। ”

বেলকণিত থকা বেঁতৰ ছফাখনত ৰাগিনি বহি পৰে। তাই নিজৰ অনুভূতিৰ আগত আজি বৰ ক্লান্ত। ঠিক তেনেদৰে অনুৰাগেও হাৰ মানি ল'লে।

অনুৰাগে কোনো কথা নক'লে, মাথোঁ তাইৰ কোলাত নিজৰ মূৰটো পেলাই দি চকু দুটা বন্ধ কৰি দিলে। তাইয়ো মৰমেৰে অনুৰাগৰ চুলিবিলাকত হাত ফুৰাই দিলে।

:“ অনুৰাগ,”

:“ হুম।”

:“মোৰ কথা মনত পৰিছিল তোমাৰ?”

:“ পাহৰিলে হে মনত পেলাম?”

:“ এতিয়াও ভালপোৱা মোক?”

:“ হুম।”

:“কিন্তু এইয়া কেনেকৈ সম্ভৱ?”

:“ কিয় অসম্ভৱ? ”

:“ চাৰি বছৰ হ'ল আমাৰ মাজত কোনো ধৰণৰ যোগাযোগ নাছিল। ”

:“ তাতে কি হ'ল? ভালপাবলৈ যোগাযোগ থাকিবই লাগিব বুলি কি কথা আছে? ভালপোৱা মনৰ পৰা অনুভৱ কৰা বস্তু। বিশ্বাস নহ'লে নিজৰ মনক প্ৰশ্ন কৰি চোৱা এবাৰ ।”

:“মিচা, মই তোমাক ভাল নাপাও, মনতো নপৰে মোৰ তোমাৰ কথা।”

:“ হা, হা, তুমি আজিও মোক ভালপোৱা। বহুত বেছি ভালপোৱা। মোতকৈও বেছি ভালপোৱা।”

:“ নাপাওঁ।”

:“ পোৱা।”

:“ হুম, বহুত পাওঁ। সদায় মনত পৰে তোমাৰ কথা। ”

কান্দি দিয়ে তাই। ইমান বছৰে দুচকুত লুকুৱাই ৰখা বৰষুণজাক নামি আহে। অনুৰাগে তাইক নিজৰ দুবাহুৰ মাজত আঁকোৱালি লয়।

ৰাগিনি, অনুৰাগ আৰু নিশাৰ জোনবাই- তিনিও মিলি সকলো মান- অভিমানক আঁতৰাই পঠিয়ালে আৰু নতুন এটি অধ্যায়ৰ শুভাৰম্ভণি কৰিলে।

সকলো যোগাযোগ বিচ্ছিন্ন হৈ যোৱাৰ পাছতো destiny য়ে সিহঁত হালক আকৌ এবাৰ কাষ চপাই আনিলে যেন। এইবাৰ যাতে কোনো ধৰণৰ ভুল বুজা বুজিয়ে আহি সিহঁতৰ মাজত সোমাব নোৱাৰে তাৰ বাবে অনুৰাগ সচেতন হৈ থাকিব।

এনেতে ৰাগিনিৰ ফোনৰ স্ক্ৰীনটো জিলিকি উঠে। ৱালপেপাৰৰ ফটোখনত লিখা আছে - 11:11

# ৰোবটিক্স আৰু আধুনিক বিশ্ব

যোৱাখণ্ডৰ পৰা..




আধুনিক বিশ্বত ৰোবটিক্সে এক নতুন যুগৰ সূচনা কৰিছে। ই কেৱল কাম সহজ কৰা নহয়, বৰঞ্চ মানুহৰ জীৱনধাৰণৰ ধৰণো সলনি কৰিছে। শিল্প, চিকিৎসা, শিক্ষা, ঘৰুৱা ব্যৱস্থা-সকলো ক্ষেত্ৰতে ইয়াৰ প্ৰভাৱ দেখা যায়। ভৱিষ্যতে ৰোবটিক্স আৰু অধিক উন্নত হ'ব আৰু মানুহৰ সৈতে একেলগে কাম কৰা এখন নতুন সমাজ গঢ়ি তুলিব।

সেয়েহে, ৰোবটিক্সক সঠিকভাৱে ব্যৱহাৰ কৰা অত্যন্ত প্ৰয়োজন। ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰাৰ লগতে অসুবিধাসমূহৰ ওপৰতো গুৰুত্ব দিয়া উচিত। বিজ্ঞান আৰু নৈতিকতাৰ সমন্বয় ঘটাই ৰোবটিক্সক মানৱ কল্যাণৰ বাবে ব্যৱহাৰ কৰিলে, ই নিশ্চিতভাৱে আধুনিক বিশ্বৰ উন্নয়নত এক শক্তিশালী অস্ত্ৰ হিচাপে পৰিগণিত হ'ব।

**জীৱনজ্যোতি গগৈ,গোলাঘাট**

ৰোবটিক্সৰ ভৱিষ্যৎ সম্ভাৱনাৰ কথা ভাবিলে দেখা যায় যে এই ক্ষেত্ৰখন এতিয়াও বহুত আগবাঢ়িবলৈ বাকী আছে। আগন্তুক দিনবোৰত ৰোবটবোৰ কেৱল নিৰ্দেশনা অনুসৰণ কৰা যন্ত্ৰ হৈ নাথাকিব, বৰঞ্চ নিজে চিন্তা কৰিব পৰা আৰু সিদ্ধান্ত ল'ব পৰা এক উন্নত ব্যৱস্থা হিচাপে গঢ় লৈ উঠিব। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ৰোবটবোৰে মানুহৰ আচৰণ বুজিব, পৰিস্থিতি অনুযায়ী নিজে সিদ্ধান্ত ল'ব আৰু অধিক কাৰ্যক্ষমভাৱে কাম কৰিব।

মহাকাশ অনুসন্ধানতো ৰোবটিক্সৰ গুৰুত্ব দিনে দিনে বৃদ্ধি পাইছে। যিবোৰ স্থানত মানুহৰ পক্ষে যোৱা সম্ভৱ নহয়, তাত ৰোবট পঠিয়াই অনুসন্ধান কৰা হয়। গ্ৰহ-নক্ষত্ৰৰ বিষয়ে নতুন তথ্য সংগ্ৰহ কৰাত ৰোবটৰ ভূমিকা অপৰিসীম। ইয়াৰ জৰিয়তে বিজ্ঞানীসকলে বিশ্বব্ৰহ্মাণ্ডৰ বহু অজানা কথা জানিবলৈ সক্ষম হৈছে।

কৃষি ক্ষেত্ৰতো ৰোবটিক্সে নতুন বিপ্লৱ আনিছে। আধুনিক কৃষকসকলে এতিয়া স্বয়ংক্ৰিয় যন্ত্ৰৰ সহায়ত চাষ কৰে। ৰোবটে মাটি চপোৱা, বীজ সিচা, গছপালাৰ যত্ন লোৱা আৰু ফচল কটা আদি কাম সহজে কৰিব পাৰে। ইয়াৰ ফলত উৎপাদন বৃদ্ধি পায় আৰু কৃষকৰ পৰিশ্ৰম কম হয়। এইদৰে ৰোবটিক্সে গ্ৰাম্য অৰ্থনীতিতো ইতিবাচক প্ৰভাৱ পেলাইছে।

সুৰক্ষা আৰু সামৰিক ক্ষেত্ৰতো ৰোবট ব্যৱহাৰ কৰা হয়। বোমা নিষ্ক্ৰিয় কৰা, বিপদজনক স্থানত অনুসন্ধান কৰা আদি কামত ৰোবট ব্যৱহাৰ কৰা হয় যাতে মানুহৰ জীৱন বিপদত নপৰে। তদুপৰি, কিছুমান দেশত সুৰক্ষাৰ বাবে নজৰদাৰী ৰোবট ব্যৱহাৰ কৰা হয়।

আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈছে দুৰ্যোগ ব্যৱস্থাপনা। ভূমিকম্প, বানপানী, অগ্নিকাণ্ড আদি দুৰ্যোগৰ সময়ত ৰোবট ব্যৱহাৰ কৰি উদ্ধাৰ অভিযান চলোৱা হয়। যিবোৰ স্থানত মানুহৰ প্ৰৱেশ বিপদজনক, তাত ৰোবট পঠিয়াই জীৱিত লোক বিচাৰি উলিওৱা হয়। এইদৰে বহু জীৱন *(বাৰপৃষ্ঠাত চাওক)*

# গোবিন্দ চন্দ্ৰ পৈৰাঃ অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৱদান

যোৱাখণ্ডৰ পৰা..

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

১৯৫৭ চনত ডিমাপুৰত প্ৰতিষ্ঠা হৈছিল ‘অসম যুৱ সমাজ’ নামৰ এটা সামাজিক সাংস্কৃতিক অনুষ্ঠান। পৈৰাৰ নেতৃত্বত ১৯৭১ চনত ৰাইজৰ দান বৰঙণি লৈ ডিমাপুৰ নামঘৰৰ প্ৰকল্প লৈ ১৯৭৩ চনত সেই কাম শেষ কৰে। ১৯৮৩ চনত নামঘৰৰ লগতে অতিথিশালা আৰু ডিমাপুৰ সাহিত্য সভা ভৱন গঢ়ি তুলিছিল। নামঘৰক কেন্দ্ৰ কৰি তেওঁ মানৱ সেৱাৰ দৃষ্টান্ত হে দাঙি ধৰিছিল। সেয়ে নামঘৰ প্ৰাংগনতে ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। অসমৰ সাহিত্য -সংস্কৃতি সমাজৰ বৰেণ্যসকলক তেওঁ আমন্ত্ৰণ কৰি নিছিল সেই নামঘৰ সাহিত্য সভা ভৱন প্ৰাংগণলৈ।

ডিমাপুৰলৈ অহাৰ পিছত তেওঁ জড়িত হৈ পৰিছিল নাগালেণ্ডৰ ৰাজনীতিৰ লগত। প্ৰথমতে নাগালেণ্ড নেচনেলিষ্ট অৰগেনাইজেচনৰ সদস্য হৈ ডিমাপুৰ শাখাৰ সভাপতি হয়। ১৯৬৪-৬৯ চনলৈ ডিমাপুৰ বিধানসভা সমষ্টিৰ পৰা নাগালেণ্ড বিধানসভালৈ নিৰ্বাচিত হৈছিল। তাৰ পিছত ১৯৬৯ চনত পুনৰ বিধানসভালৈ নিৰ্বাচিত হয়। ১৯৭৪ চন পৰ্যন্ত তেওঁ নাগালেণ্ড বিধানসভাৰ এগৰাকী অতি সক্ৰিয় আৰু জনপ্ৰিয় সদস্য আছিল। তাৰ পিছত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে আৰু ডিমাপুৰ জিলা কংগ্ৰেছ কমিটিৰ ১৯৮৫-৮৬ চনত সভাপতি নিৰ্বাচিত হৈছিল।

বিধানসভাত গোবিন্দ পৈৰা এজন সফল সদস্যৰূপে পৰিগণিত হৈছিল। পিছলৈ তেওঁ বুকুত ‘পেচমেকাৰ’ লগাব লগীয়া হোৱাত ৰাজনীতিৰ পৰা আঁতৰি সামাজিক অনুষ্ঠানৰ সৈতে নিজকে জড়িত ৰাখিছিল। তেওঁ অসম সাহিত্য সভাৰ উপ-সভাপতি হিচাপে ক্ৰমে ১৯৭৮-৭৯ আৰু ১৯৮৫-৮৬ দুটা কাৰ্যকাল কাৰ্যনিৰ্বাহ কৰিছিল। সংহতিৰ জীৱন্ত প্ৰতীক গোবিন্দ চন্দ্ৰ পৈৰাই ৫ জানুৱাৰী ১৯৯৯ চনত ইহলীলা সম্বৰণ কৰে।

সাহিত্য -সংস্কৃতিলৈ অৱদানঃ জন্মসূত্ৰে নেপালীভাষী এগৰাকী অসমীয়া গল্পকাৰ আৰু ঔপন্যাসিক আছিল গোবিন্দ চন্দ্ৰ পৈৰা। অসমীয়া সমাজখনৰ লগত পৈৰাৰ সমন্ধ আবেগিক আৰু বৌদ্ধিক দুয়ো প্ৰকাৰৰ। অসমীয়া সাহিত্যৰ জগতত পৈৰাৰ প্ৰথম পৰিচয় ঘটিছিল জনপ্ৰিয় গল্পকাৰ হিচাপে। সেই সময়ৰ আলোচনী ‘বাঁহী’, ‘জয়ন্তী’ আৰু ‘আৱাহন’ৰ পাতত নিটোল আংগিক, প্ৰাঞ্জল ভাষা আৰু ব্যতিক্ৰমী বিষয়বস্তুৰে ভৰপুৰ আছিল পৈৰাৰ গল্পসমূহ । অসমীয়া মানুহৰ মন জয় কৰিছিল তেওঁৰ সৃষ্টিশীল সাহিত্য ৰাজিয়ে। কহিমাত স্কুলীয়া জীৱনতে হাতেলিখা আলোচনী উলিয়াই সাহিত্য সাধনাত ব্ৰতী হৈছিল। হাতেলিখা আলোচনী কমলিনী, সৰস্বতী, বীণা আদিতেই গল্প লিখাৰ আখৰা কৰিছিল। ১৯৩৭ চনত ‘জয়ন্তী ’ৰ গল্প প্ৰতিযোগিতাত *(বাৰপৃষ্ঠাত চাওক)*

# ই-চিগাৰেট সেৱন

আৰু লগতে এটা 'ডিমেৰিট পইণ্ট' দিয়া হৈছে।" "ৰিয়ানে আইপিএলৰ আচৰণ বিধিৰ ৩.৮ৰ অনুচ্ছেদ উলংঘা কৰা বুলি ধৰা পৰিছে, যিটো 'খেলখনক বদনাম কৰা আচৰণ'ৰ সৈতে জড়িত । দ্বিতীয় ইনিংছৰ সময়ত ৰিয়ানক ড্ৰেছিং ৰুমৰ ভিতৰত ভেপ ব্যৱহাৰ কৰা দেখা গৈছিল।" বিবৃতিটোত লগতে কোৱা হৈছে।আনহাতে, ৰিয়ানে নিজৰ অপৰাধ স্বীকাৰ কৰি মেচ ৰেফাৰী অমিত শৰ্মাই প্ৰদান কৰা শাস্তি মানি লয়। আনহাতে, আইপিএলৰ সুনাম যাতে অক্ষুণ্ণ থাকে তাৰ বাবে ভুল কৰা দল, ইয়াৰ বিষয়া আৰু খেলুৱৈ/ খেলুৱৈসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থা আৰম্ভ কৰাৰ অন্যান্য বিকল্পৰ সন্ধানো বিচিচিআয়ে কৰি আছে।

# এক্সৰ' বাৰৰ অনুজ্ঞা

স্পষ্টীকৰণ বিচাৰিছিল। পৰৱৰ্তী সময়ত কৰা এক তদন্তত নিশ্চিত কৰা হৈছে যে নিৰ্ধাৰিত অনুজ্ঞা-পত্ৰৰ চৰ্তসমূহৰ লগতে অসম আবকাৰী নিয়ম, ২০১৬ৰ নিয়ম ১২৭ (১) উলংঘা কৰি চৌহদটো অনুমোদিত সময়ৰ পিছতো খোলা ৰখা হৈছিল। চৰকাৰী নিৰ্দেশত কোৱা হৈছে, উপৰোক্ত কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আৰু বিষয়টোৰ গুৰুত্ব বিবেচনা কৰি, অসম আবকাৰী আইন, ২০০০ৰ ধাৰা ৩০ৰ অধীনত প্ৰদান কৰা ক্ষমতাৰ প্ৰয়োগেৰে নিম্ন স্বাক্ষৰকাৰীয়ে ইয়াৰ দ্বাৰা ডি টিঙ্গি গাঁও (এক্টৰ) ৰ আইএমএফএল অন অনুজ্ঞা-পত্ৰ পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে তাৎক্ষণিকভাবে কাৰ্যকৰী হোৱাকৈ বাতিল কৰিছে। কৰ্তৃপক্ষই এই সন্দৰ্ভত বিতং তদন্তও আৰম্ভ কৰিছে। কামৰূপ (মেট্ৰ')ৰ আবকাৰী অধীক্ষকক ১৫ দিনৰ ভিতৰত এক বিস্তৃত তদন্ত আৰু প্ৰতিবেদন দাখিল কৰাৰ দায়িত্ব দিয়া হৈছে।

# পশ্চিমবংগত দ্বিতীয়

নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, 'স্বাধীনতাৰ পিছত পশ্চিমবংগৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ দুয়োটা ভোটগ্ৰহণপৰ্বতে সৰ্বাধিকসংখ্যক ভোটদান হয়। নিৰ্বাচন আয়োগৰ তৰফৰ পৰা সকলো ভোটাৰকে শুভেচ্ছা জনালোঁ।' ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিনটোত গণতন্ত্ৰৰ উৎসৱৰ এটা গুৰুত্বপূৰ্ণ দিন বুলি ব্যাখ্যা কৰে। তেওঁ ৰাজ্যখনৰ ভোটাৰসকলক কৃতজ্ঞতা জনায়। দেশৰ পাঁচখন ৰাজ্যত অনুষ্ঠিত নিৰ্বাচনতো বিজেপিয়ে 'ঐতিহাসিক জয়' সাব্যস্ত কৰিব বুলি মন্তব্য কৰে। বুধবাৰৰ ভোটদান পৰ্বক লৈ মোদীয়ে কয়, 'পশ্চিমবংগত বিপুল ভোটদানৰ খবৰ আহিছে। প্ৰথম পৰ্যায়ৰ দৰেই দ্বিতীয় পৰ্যায়তো বহুসংখ্যক নাগৰিকে ভোটদানৰ বাবে ঘৰৰ পৰা ওলাই আহে। দীঘল দীঘল শাৰীৰ ছবি সামাজিক মাধ্যমত বিয়পি পৰিছে। যোৱা ৬-৭ দশকত যিটো হোৱা নাছিল, যাক কল্পনাও কৰিব পৰা নাছিল, এইবাৰ সেইটোৱেই হৈছে। ভয়মুক্ত পৰিৱেশত পশ্চিমবংগত ভোটগ্ৰহণ হৈছে। সাধাৰণ নাগৰিকে ভয়মুক্ত হৈ ভোটদান কৰিছে।' বুধবাৰে উত্তৰ প্ৰদেশৰ হাৰদৈত গংগা এক্সপ্ৰেছৱে' উদ্বোধন কৰাৰ সময়ত ভাষণ প্ৰসংগত এই মন্তব্য কৰে প্ৰধানমন্ত্ৰী মোদীয়ে।

# এইবাৰ বিৰোধীৰ চৰকাৰ

এইবাৰ বিৰোধী ঐক্যমঞ্চই চৰকাৰ গঠন কৰিব, ৰাইজৰ জয় হ'ব। বিজেপি চৰকাৰৰ যি তিতা-কেঁহা ৰাইজে পাইছে, বিজেপি চৰকাৰৰ পৰা ৰাইজে যি অত্যাচাৰ পাইছে, বিজেপি চৰকাৰৰ পৰা যি দমন-শোষণ, ভাবুকি পালে ইয়াক নাইকিয়া কৰিবলৈ নিৰ্বাচনত অসমৰ ভোটাৰ ৰাইজে বিৰোধী ঐক্যমঞ্চৰ সমৰ্থনত ভোটদান কৰিছে। সেইকাৰণে এগজিট প'লে যিয়েই নকওক, বিৰোধীৰ চৰকাৰ হোৱাটো নিশ্চিত। এগজিট প'লে সাধাৰণতে চৰকাৰী পক্ষত কথা কয়। কাৰণ এগজিট প'ল প্ৰকাশ কৰা সংস্থাসমূহে অসমৰ যিমানসংখ্যক ভোটাৰে ভোট দিছে, আটাইবোৰৰ মতামত নলয়। তেওঁলোকে কেৱল ৫-৬ হাজাৰ মানুহৰহে মতামত গ্ৰহণ কৰে। গতিকে এইখিনি ভোটাৰৰ মতামতৰ ওপৰত ভিত্তি কৰি অসমৰ জনগণৰ মতামত হ'ব নোৱাৰে। সেইকাৰণে সেই সংস্থাসমূহে ছেম্পল ছাৰ্ভেৰ জৰিয়তে যিয়েই নকওক কিয়, সেয়াই সম্পূৰ্ণ শুদ্ধ বুলি ভাবি থকাটো এক অবিজ্ঞানসম্মত কথা। অখিল গগৈয়ে কয়- মোৰ গোটেই জীৱনৰ দীঘলীয়া আন্দোলন তথা জনতাৰ লগত থকা সম্পৰ্কৰ পৰা ক'ব পাৰোঁ যে এইবাৰ নিৰ্বাচনত অসমৰ ৰাইজে চল্লিছ চনৰ বিধানসভা নিৰ্বাচনৰ দৰে পৰিৱৰ্তনৰ বাবে ভোটদান কৰিছে। এইবাৰ নিৰ্বাচনত অসমৰ ৰাইজে চৰকাৰ সলনি কৰিবৰ বাবে ভোটদান কৰিছে। সেয়েহে সকলোকে মই ধৈৰ্য ধৰি অপেক্ষা কৰিবলৈ আহ্বান জনাইছোঁ। প্ৰকাশ হোৱা এগজিট প'লে সাধাৰণতে বিজেপি চৰকাৰৰ পক্ষত কথা কোৱাটো নিশ্চিত। এগজিট প'লৰ ফলাফল শুনি কোনো বিৰোধী দলে ভয় খাব নালাগে।

# বহু প্ৰতীক্ষাৰ অন্তত সোমবাৰে

আৰু নিকাভাৱে সম্পন্ন কৰিব পৰা যায়, তাৰ ওপৰত প্ৰধানতঃ গুৰুত্ব আৰোপ কৰিছে নিৰ্বাচন আয়োগে। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ৪০টা কেন্দ্ৰত সম্পন্ন হ'ব ভোটগণনা। কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰৰ ব্যৱস্থা কৰাৰ বিপৰীতে নগাঁও জিলাত থাকিব তিনিটা। বাকী জিলাসমূহত এটাকৈ ভোটগণনা কেন্দ্ৰৰ পৰিকল্পনা কৰা হৈছে। ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ বাবে এজনকৈ অৰ্থাৎ ১২৬জন কাউণ্টিং অব্জাৰভাৰ নিয়োগ কৰিছে নিৰ্বাচন আয়োগে। তদুপৰি ভোটগণনাত নিয়োজিত থাকিব ৫, ৯৮১জন বিষয়া আৰু ২, ৩৪৮জন মাইক্ৰ' অব্জাৰভাৰ। নিৰ্বাচন আয়োগৰ তৰফৰ পৰা সদৰী কৰা অনুসৰি নিৰাপত্তাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। সম্প্ৰতি ষ্ট্ৰং ৰুমসমূহৰ লগতে ভোটগণনাৰ বাবে মোতায়েন কৰা হৈছে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ ২৫টা কোম্পানীৰ উপৰি বিশেষ সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৰ'টা কোম্পানী আৰু এটা প্লাটুন। ইয়াৰ উপৰি ষ্ট্ৰং ৰুমসমূহত ৮০০ আৰক্ষী জোৱান নিয়োজিত হৈ আছে। লগতে ষ্টেটিক ডিউটীত কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ দুটা, জিলাসমূহত অসম আৰক্ষীৰ বিশেষ সশস্ত্ৰ বাহিনীৰ ৯৩টা কোম্পানী আৰু ৮৫ কমাণ্ডোক সাজু কৰি ৰাখিছে নিৰ্বাচন আয়োগে। উল্লেখ্য যে এইবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৭২২ প্ৰাৰ্থীৰ ভিতৰত সৰ্বাধিক ২৫৮জন হৈছে নিৰ্দলীয়। ইয়াৰ পিছতে কংগ্ৰেছৰ ৯৯জন প্ৰাৰ্থীয়ে ভোটযুদ্ধত অৱতীৰ্ণ হৈছে। বাকী প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ ৯০জন, আপৰ ১৮জন, চিপিআইএমৰ দুজন, অগপৰ ২৬জন, এআইইউডিএফৰ ৩০জন, বিপিএফৰ ১১জন, ইউপিপিএলৰ ১৮জন, অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লকৰ ২জন, তৃণমূল কংগ্ৰেছৰ ২২জন, অগ্নি জনতা পাৰ্টীৰ ২জন, অজাপৰ ১০জন, ভাৰতীয় গণ পৰিষদৰ ৪জন, চিপিআইৰ ৩জন, চিপিআই (এমএল) ৰ ৩জন, গণ সুৰক্ষা পাৰ্টীৰ ১০জন, গোণ্ডৱানা গণতন্ত্ৰ পাৰ্টীৰ ৩জন, ঝাৰখণ্ড মুক্তি মৰ্চাৰ ১৬জন, নেচনেল পিপল পাৰ্টীৰ ২জন, ৰাইজৰ দলৰ ১৩জন, ৰাষ্ট্ৰীয় উলামা কাউঞ্চিলৰ ১০জন, ৰিপাব্লিকান পাৰ্টী অৱ ইণ্ডিয়া (আঠাৱালে) ৰ ৪জন, ৰিভল্যুচনেৰী কমিউনিষ্ট পাৰ্টী অৱ ইণ্ডিয়া (ৰসিক ভট্ট)ৰ ১জন, এছইউচিআই (কমিউনিষ্ট)ৰ ৪১জন, দ্য নেচনেল ৰোডমেপ পাৰ্টী অৱ ইণ্ডিয়াৰ ২জন, বিকাশ ইণ্ডিয়া পাৰ্টীৰ ৫জন আৰু ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলৰ ১৭জন।এইবাৰ বিধানসভা নিৰ্বাচনত অভিলেখসংখ্যক ৮৫.৩৮ শতাংশ ভোটদান হৈছে অসমত। ইয়াৰ পূৰ্বে ২০০১ চনত ৭৫.১৬, ২০০৬ চনত ৭৫.৭২, ২০১১ চনত ৭৬.০৫, ২০১৬ চনত ৮৪.৬৪ আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৮২.০২ শতাংশ।

# এগজিট প'লৰ মতে অসমত পুনৰ

মিত্ৰদলক ৮৮-১০১খন আসন দিয়াৰ লগতে বিৰোধী কংগ্ৰেছক প্ৰদান কৰিছে ২৩-৩৩খন আসন আৰু অন্যান্যই লাভ কৰিছে ২-৫খন আসন। পিপ পাছে প্ৰকাশ কৰা সমীক্ষাত বিজেপি-মিত্ৰদলক ৮৩-৯১খন আসন দিয়াৰ বিপৰীতে কংগ্ৰেছ আৰু মিত্ৰজোঁটক প্ৰদান কৰিছে ২৩-৩১খন আসন। অন্যান্যক দিছে ৩-৫খন আসন। ইফালে প'ল ডায়েৰীয়ে বিজেপি-মিত্ৰদলক ৮৬-১০১খন আসন দিয়াৰ বিপৰীতে কংগ্ৰেছ মিত্ৰজোঁটক দিছে ১৫-২৬খন আসন। চাণক্য ষ্ট্ৰেটেজিছে বিজেপি-মিত্ৰদলক ৮৮-৯৮খন আসন দিয়াৰ বিপৰীতে কংগ্ৰেছ আৰু মিত্ৰজোঁটক দিছে ২২-৩২খন আসন, অন্যান্যই লাভ কৰিব ৩-৫খন আসন। পিএমআৰকিউৱে প্ৰকাশ কৰা সমীক্ষাত বিজেপি আৰু মিত্ৰদলে লাভ কৰিছে ৮২-৯৪খন আসন, কংগ্ৰেছ মিত্ৰজোঁটে লাভ কৰিছে ৩০-৪০খন আৰু অন্যান্যই লাভ কৰিছে ১-৫খন। পিপল ইনছাইটে প্ৰকাশ কৰা সমীক্ষাত বিজেপি নেতৃত্বাধীন এনডিএক ৮৮-৯৬খন আসন দিয়াৰ বিপৰীতে বিৰোধী মিত্ৰজোঁটক ৩০-৩৪খন আসন প্ৰদান কৰিছে। এনডি টিভিয়ে বিজেপি-মিত্ৰদলক ৮৮-১০০খন আসন প্ৰদান কৰাৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী দলক ২৪-৩৬খন আসন আৰু অন্যান্যক ৩খন আসন প্ৰদান কৰিছে। প্ৰজা প'ল-এ প্ৰকাশ কৰা সমীক্ষাত বিজেপি-মিত্ৰদলক ৮৬-১০১খন আসন দিয়াৰ পৰিৱৰ্তে বিৰোধী মিত্ৰদলক ১৫-২৬খন আসন আৰু অন্যান্যক ৩-৭খন আসন প্ৰদান কৰিছে। ইফালে ভোট ভাইবে প্ৰকাশ কৰা সমীক্ষা অনুসৰি বিজেপি আৰু মিত্ৰদলে এইবাৰ লাভ কৰিব ৯০-১০০খন আসন, বিৰোধী মিত্ৰদলে লাভ কৰিব ২৩-৩৫খন আসন আৰু অন্যান্যই ০-৬খন আসন।

# নিৰ্বাচনত জয়ী হোৱাৰ পাছত

ইতিমধ্যে একোজনকৈ পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছে। ভোটগণনাৰ দিনা এই পৰ্যবেক্ষকসকল ভোটগণনা কেন্দ্ৰত উপস্থিত থাকি সকলো দিশ তদাৰক কৰিব। তদুপৰি ২, ৩৪৮জন মাইক্ৰ' পৰ্যবেক্ষকে ভোটগণনাৰ দিনা এই প্ৰক্ৰিয়াটো চম্ভালিব। ইফালে ভোটগণনাৰ বাবে ৰাজ্যত নিয়োজিত কৰা হৈছে ৫৯৮গৰাকী কৰ্মচাৰী। প্ৰতিখন জিলাত একোটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ থাকিলেও কোকৰাঝাৰ, তিনিচুকীয়া, যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ভোটগণনাৰ সময়ত নিৰাপত্তা ব্যৱস্থা সুৰক্ষিত কৰি ৰখাৰ বাবে চিআৰপিএফ বাহিনীৰ ২৫টা কোম্পানী মোতায়েন কৰা হৈছে। ইফালে ভোটগণনাৰ দিনা নিৰ্বাচনত জয়ী হোৱা দল বা প্ৰাৰ্থীয়ে আইন-শৃংখলা মানি ৰাজপথত সমদল উলিয়াব নোৱাৰিব বুলিও মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। জয়ী হোৱা প্ৰাৰ্থীয়ে শোভাযাত্ৰা উলিওৱাত নীতিগত বাধা নাই যদিও পৰাজিত প্ৰাৰ্থী অথবা বিপক্ষৰ দলৰ সমৰ্থকৰ সৈতে যিকোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি এনেধৰণৰ শোভাযাত্ৰা উলিওৱাত বাধা আৰোপ কৰা হৈছে। আনহাতে ভোটগণনাৰ সময়ত দুগৰাকী প্ৰাৰ্থীৰ জয়ৰ পাৰ্থক্য অতি সামান্য হ'লে পুনৰ ভোটগণনা হ'ব পাৰে। তেনে পৰিস্থিতি ৰিটাৰ্নিং বিষয়াই নিজেই পৰীক্ষা কৰিব পোষ্টেল বেলট। উল্লেখ্য যে এইবাৰ নিৰ্বাচনত মুঠ ভোটাৰ আছিল ২, ৫০, ৫৪, ৪৬গৰাকী। ইয়াৰে ১, ২৫, ৩১, ৫৫২জন পুৰুষ ভোটাৰ আৰু ১, ২৫, ২২, ৫৯৩ গৰাকী মহিলা ভোটাৰ। আনহাতে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল ৭২২গৰাকী প্ৰাৰ্থীয়ে। ইয়াৰে ৬৬৩জন পুৰুষ প্ৰাৰ্থী আৰু ৫৯গৰাকী মহিলা প্ৰাৰ্থী। নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি ৩১, ৪৯০টা কেন্দ্ৰত যোৱা ৯ এপ্ৰিলত সম্পন্ন হোৱা ভোটদানৰ হাৰ আছিল প্ৰায় ৮৬ শতাংশ।নগৰ অঞ্চলত ৩, ৭৭৫টা ভোটগ্ৰহণ কেন্দ্ৰ থকাৰ বিপৰীয়ে গ্ৰাম্য এলেকাত ২৭, ৭১৫টা ভোটগ্ৰহণ কেন্দ্ৰ। উল্লেখ্য যে এইবাৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, বৰপেটা, গোৱালপাৰা আৰু বঙাইগাঁও জিলাত ভোটদানৰ হাৰ আছিল সৰ্বাধিক। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি দক্ষিণ শালমাৰা-মানকাচৰ জিলাত ভোটদানৰ হাৰ আছিল ৯৫.৬১ শতাংশ, ধুবুৰী জিলাত ৯৫.২১ শতাংশ, বৰপেটা জিলাত ৯৩.৩২ শতাংশ, গোৱালপাৰা জিলাত ৯৩.২৭ শতাংশ আৰু বঙাইগাঁও জিলাত ৯২.৭৭ শতাংশ। এইবাৰ নিৰ্বাচনত যুৱ ভোটাৰৰ অংশগ্ৰহণ আছিল যথেষ্ট উল্লেখনীয় দিশ। ১৮ বছৰৰ পৰা ২৯ বছৰৰ ভিতৰত ৭২ লাখ যুৱ ভোটাৰে ভোটদানত অংশগ্ৰহণ কৰে। লগতে ১৫টা ভোটগ্ৰহণ কেন্দ্ৰ বিশেষভাৱে সক্ষম লোকে পৰিচালনা কৰিছিল।

## ১০ দিনৰ ন্যায়িক জিম্মালৈ

ছামিমৰ কু-কাণ্ডসমূহ। উল্লেখ্য যে মহানগৰ আৰক্ষীয়ে জিম্মাৰ ম্যাদ উকলি যোৱাৰ পাছত ছামিমক আদালতত হাজিৰ কৰে। আদালতে শনিবাৰে ১০ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে অভিযুক্ত ছামিম আহমেদক। অহা ১২ এপ্ৰিললৈকে ন্যায়িক জিম্মাত থাকিব লাগিব ছামিম আহমেদ। ছামিমক লৈ শেহতীয়াকৈ বহু তথ্য পোহৰলৈ আহিছে। এই সন্দৰ্ভত বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, এছকৰ্ট ছাৰ্ভিচৰ নামতো ছামিমে দীৰ্ঘদিন ধৰি বেপাৰ চলাই আহিছিল। ছামিমক গ্ৰেপ্তাৰৰ পাছতে আৰক্ষীয়ে ম'বাইল ফোন পৰীক্ষা কৰাৰ পাছত বহু তথ্য লাভ কৰিছে। সূত্ৰটোৱে সদৰী কৰা মতে, ধৃত ছামিমৰ কললিষ্টত বহু যুৱতীৰ নম্বৰ লাভ কৰা হৈছে। অকল সেয়াই নহয়, মহানগৰীৰ বহু হাইপ্ৰফাইল লোকৰো নম্বৰ আৰক্ষীয়ে লাভ কৰিছে। ম'বাইল ফোনত এনেধৰণৰ বহু যুৱতী তথা হাইপ্ৰফাইল লোকৰ বাৰ্তালাপৰ তথ্যও তদন্তকাৰী দলে লাভ কৰিছে। লক্ষণীয় যে কোনোধৰণৰ কাম নকৰাকৈ এটা আভিজাত জীৱন যাপন কৰি আহিছিল ছামিম আহমেদে। মৃত তিনি যুৱতীৰ বাদেও প্ৰতিদিনে নতুন নতুন যুৱতীৰ সৈতে মহানগৰীৰ আভিজাত বাৰত দুপৰনিশালৈকে পাৰ্টী কৰিছিল ছামিম আহমেদে। এই যুৱতীসকল ছামিমৰ এছকৰ্ট ছাৰ্ভিচৰ সৈতে জড়িত থকাৰ সম্ভাৱনা সূত্ৰটোৱে কৰিছে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখি অধিক তথ্য আহৰণৰ বাবে চেষ্টা চলাইছে। ইয়াৰ বাদেও ২০১৩ চনত গুৱাহাটীলৈ আহি জিএছটিৰ কাম-কাজৰ সৈতে জড়িত হৈ পৰা ছামিম আহমেদৰ নামত জিএছটি কেলেংকাৰিৰো অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভতে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও আনুষ্ঠানিকভাৱে কোনো তথ্য সদৰী কৰা নাই। শেহতীয়াকৈ আৰক্ষীয়ে মঠঘৰীয়াৰ এটা নলাৰ পৰা ছামিম আহমেদৰ তেজলগা কাপোৰ-কানি জব্দ কৰিছিল। এই সন্দৰ্ভত অধিক তথ্য আহৰণৰ বাবে ছামিম আহমেদৰ তেজৰ নমুনা সংগ্ৰহৰ অনুমতি বিচাৰি আদালতত আৰক্ষীয়ে আবেদন জনোৱাৰ পিছত আদালতে এই অনুমতি প্ৰদান কৰে। ন্যায়িক জিম্মাত কাৰাগাৰলৈ প্ৰেৰণ কৰিলেও কাৰাগাৰৰ পৰাই নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিব পাৰিব আৰক্ষীয়ে। প্ৰয়োজনত ছামিম আহমেদক সোধা-পোছাও কাৰাগাৰত চলাব পাৰিব আৰক্ষীয়ে।

## সোমবাৰে ঘোষণা কৰা

একাউন্টসমূহত ১ কোটি টকাতকৈ অধিক ধন থকা তথ্য পোহৰলৈ আহে। অভিযোগ পক্ষৰ মতে, এই ধনৰ বৈধ উৎস প্ৰমাণ কৰিবলৈ সিদ্ধাৰ্থ শৰ্মাই কোনো স্পষ্ট তথ্য আগবঢ়াব পৰা নাই। আদালতে আৰু উল্লেখ কৰে যে, আগন্তুক শুনানিত যদি শৰ্মাই এই সম্পত্তিৰ উৎস প্ৰমাণ কৰিব নোৱাৰে, তেন্তে জব্দ কৰা ধন জুবিন গাৰ্গৰ পৰিয়ালৰ সদস্য বা তেওঁৰ চৰকাৰী ট্ৰাষ্টলৈ হস্তান্তৰ কৰা হ'ব পাৰে।

## অভিষেক মনু সিংভীৰ

টেলিভিছনত অনিষ্ট কৰা হৈছে। মই আত্মবিশ্বাসী যে আদালতে এই বিষয়টোত শীঘ্ৰে বা পাছত মনোযোগ দিব আৰু দোষীক শাস্তি দিব। মই স্পষ্টকৈ কৈ দিওঁ, এয়া কেৱল আৰম্ভণি, শেষ নহয়। উল্লেখ্য যে ৰিণিকি ভূঞা শৰ্মাৰ বিদেশী ৰাষ্ট্ৰৰ তিনিখনকৈ পাছপৰ্ট থকা বুলি ভুৱা নথিপত্ৰৰে অভিযোগ দাখিল কৰাৰ পাছত পৱন খেড়াৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ শাখাত এক গোচৰ ৰুজু হৈছিল। উক্ত গোচৰ সন্দৰ্ভত তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক সাময়িক সকাহ দিছিল যদিও উচ্চতম ন্যায়ালয়ে পৱন খেড়াৰ উক্ত জামিন নাকচ কৰি তেওঁক গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিন আবেদনৰ নিৰ্দেশ দিছিল। সেইমৰ্মে পৱন খেড়াই আগতীয়া জামিন বিচাৰি গুৱাহাটী উচ্চন্যায়ালয়ত আবেদন দাখিলৰ পাছত উক্ত আবেদনো নাকচ কৰিছিল উচ্চন্যায়ালয়ে। গুৱাহাটী উচ্চন্যায়ালয়ৰ এই ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰা পৱন খেড়াই জামিন লাভ কৰিবলৈ সক্ষম হয়।

## অভিনেতা ধীৰেন

শৰ্মা, সভাপতি, জনসেৱা। প্ৰকাশকৰ দায়িত্বত-নুৰুল হক আহমেদ। সাংবাদিক, সম্পাদক, জনসেৱা। অনুষ্ঠানটো আঁত ধৰে-অৰূপ কলিতা, সম্পাদক, ধীৰেনপাৰা-উজ্জলনগৰ কালী মন্দিৰ পৰিচালনা সমিতি। আৰম্ভণি গীত পৰিৱেশন কৰে 'জনসেৱা'ৰ সদস্য, সংগীত শিল্পী বৰ্ণালী কলিতাই। সদস্য গকুল বৰুৱা, আকবৰ আলী আহমেদে ভাষণ দিয়ে। শলাগৰ শৰাই আগবঢ়াই সদস্য নৱপ্ৰসাদ শৰ্মাই।

## উৎকোচ লৈ হাতে-

দলে বন বিষয়া শিৱাশিস শাণ্ডিল্যক হাতে-লোটে ধৰে। বৰ্তমান বিভাগীয় আৱাসত দলটোৱে বিষয়াজনক বিয়লিৰ পৰা সন্ধিয়াপৰ্যন্ত জেৰা কৰাৰ লগতে বিভাগীয় নথি-পত্ৰসমূহ পৰীক্ষা কৰি আছে। লগতে তেওঁৰ কাৰ্যালয়ৰ পৰা কেইবালাখ টকা উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে।

## গুৱাহাটীত বিৰোধী ঐক্যমঞ্চৰ

আজিলৈকে বিভিন্ন ঠাইত শাসনাধিষ্ঠিত দলটোৱে নিজৰ প্ৰভাৱ খটুৱাই বেমেজালিৰ সৃষ্টি কৰিবলৈ চেষ্টা চলাইছিল যদিও তৃণমূল পৰ্যায়ত কাম কৰি থকা বিৰোধীৰ নেতা-কৰ্মী তথা সচেতন ৰাইজে খবৰ দিয়া মাত্ৰকে তেনে বেমেজালি সন্দৰ্ভত প্ৰশাসনক অভিযোগ দাখিল কৰি তৎপৰতাৰে সেয়া নাইকিয়া কৰা হৈছে। ভোটগণনাৰ সময়ত যাতে কোনোধৰণৰ পক্ষপাতিত্বমূলক কাণ্ড-কাৰখানা সংঘটিত হ'ব নোৱাৰে সেই সন্দৰ্ভত বিৰোধীৰ প্ৰাৰ্থী তথা আন কৰ্মকৰ্তাসকলৰ সৈতে উক্ত বৈঠকত বিশদভাৱে আলোচনা কৰা হয় বুলিও জানিবলৈ দিয়ে গৌৰৱ গগৈয়ে। ইফালে এগজিট প'ল সন্দৰ্ভত গৌৰৱ গগৈয়ে কয় যে এগজিট প'লৰ জৰিয়তে যি বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ শাসক পক্ষই চেষ্টা চলাইছে, সেই বিভ্ৰান্তিত বিৰোধী দলৰ কোনো নেতা-কৰ্মীয়ে ভৰি দিয়া নাই আৰু অসমৰ ৰাইজেও ভৰি দিয়া নাই। আনহাতে, সংবাদমেলত কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে কয় যে অসমত এইবাৰ নতুন চৰকাৰ হোৱাটো নিশ্চিত। ভোটগণনাৰ দিনা শাসক পক্ষই বিভিন্ন কূট-কৌশল অবলম্বন কৰিবলৈ চেষ্টা চলাব। প্ৰশাসন যন্ত্ৰকো ব্যৱহাৰ কৰিবলৈ অপচেষ্টা চলাব। বিজেপিৰ বিৰুদ্ধে আমি বহু নিৰ্বাচন খেলিছোঁ আৰু অভিজ্ঞতাৰ দিশৰ পৰা এই কথা আমি ভালকৈয়ে জানো। সেয়ে আমি সকলোৱে সষ্টম হৈ আছোঁ। দিল্লীত আমাৰ ৰাৰুম সষ্টম হৈ থাকিব। আমাৰ লিগেল দলো অসমত সক্ৰিয় হৈ আছে। আমি আমাৰ প্ৰাৰ্থীসকলক সকলো সময়তে সুৰক্ষিত কৰি ৰাখিবলৈ বদ্ধপৰিকৰ। আনহাতে, এআইচিচিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিতে কয় যে ভয়-ভাবুকি প্ৰদান কৰি বিজেপি নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। কোটি কোটি টকা বিজেপিয়ে নিৰ্বাচনত ব্যয় কৰিছিল। ভোট ক্ৰয় কৰাৰ কাম কৰিছিল। তথাপিও কংগ্ৰেছ আৰু মিত্ৰদলে শক্তিশালীভাৱে এই নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। বিজেপি যদি ইমান আত্মবিশ্বাসী তেন্তে কিয় প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী বাৰে বাৰে অসমলৈ আহিবলগীয়া হৈছিল। মুখ্যমন্ত্ৰীৰ ভাষাত হতাশা স্পষ্টৰূপে প্ৰতিফলিত হয়। এগজিট প'ল সম্পূৰ্ণ ভুল। মেনেজ কৰি এগজিট প'ল প্ৰকাশ কৰা হৈছে। এইবাৰ কংগ্ৰেছৰ চৰকাৰ হোৱাটো নিশ্চিত। সংবাদমেলত ভাগ লৈ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কয় যে ৪ মে'ত বিৰোধীৰ মিত্ৰজোট জয়ী হ'ব আৰু গৌৰৱ গগৈ অসমৰ নতুন মুখ্যমন্ত্ৰী হ'ব। অখিল গগৈয়ে কয় যে, ১৯৯৩ চনৰ পৰা মই মানুহৰ লগত আছোঁ। সভা-সমিতি, আন্দোলন কৰি আহিছোঁ। মানুহৰ মনৰ কথা মই বুজি পাওঁ। এইবাৰ আমাৰ চৰকাৰ হোৱাটো নিশ্চিত। আমি ৭০ খনতকৈ অধিক আসন লাভ কৰিম। অহা ৪ মে'ত দিনৰ ১ বজাৰ ভিতৰত অসমৰ ৰাইজে সেয়া দেখিবলৈ পাব। আনহাতে, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়েও ৪ মে'ত বিজেপি চৰকাৰৰ পতন ঘটাটো নিশ্চিত বুলি দাবী কৰে। ২০১৬ আৰু ২০২১ চনৰ পৰিসংখ্যাও লুৰীণজ্যোতি গগৈয়ে দাঙি ধৰি লুৰীণজ্যোতি গগৈয়ে কয় যে ২০১৬ চনত মোদীৰ ঢৌ থকাৰ পিছতো বিজেপিয়ে মাত্ৰ ৬০ খন আসনতহে জয়ী হৈছিল আৰু সেইবাৰ বিজেপি মিত্ৰজোটে ৮৬ খন আসন লাভ কৰিছিল। ২০২১ চনত বিৰোধী বহুধাবিভক্ত হৈ আছিল যদিও সেইবাৰো বিজেপিয়ে ৬০ খন আসনতহে জয়ী হৈছিল আৰু এনডিএ মিত্ৰজোটৰ আসন ৭৫ খনলৈ হ্ৰাস পাইছিল। এইবাৰ যিহেতু বিৰোধীয়ে একত্ৰিতভাৱে অৱতীৰ্ণ হৈছে আৰু শক্তিশালীভাৱে নিৰ্বাচন খেলিছে, লগতে অসমৰ ৰাইজ বিজেপি চৰকাৰৰ অতপালিত অতিষ্ঠ হৈ পৰিছে তেনে সময়ত এগজিট প'লে বিজেপি ১০০ খন পৰ্যন্ত আসন পাব বুলি কৰা দাবী হাস্যকৰ। বিজেপিৰ প্ৰাৰ্থীসকল এইবাৰ চিপৰাং ৰাজনীতিৰ বলি হোৱাৰ কথা দিল্লীৰ পৰা এগজিট প'ল কৰাসকলে দেখা নোপোৱাটোৱেই স্বাভাৱিক বুলিও লুৰীণজ্যোতি গগৈয়ে উল্লেখ কৰে। ২০২৪ ৰ লোকসভা নিৰ্বাচনত এগজিট প'লে যিদৰে মুখথেকেচা খাইছিল এইবাৰো তেনেকুৱা হ'ব বুলি দাবী কৰে অসম জাতীয় পৰিষদৰ সভাপতিগৰাকীয়ে।

## মধ্যপ্ৰদেশৰ জব্বলপুৰত নৌকা

ডাঙৰ ঢৌ উঠিবলৈ আৰম্ভ কৰে আৰু ক্ৰুজখন অস্বাভাৱিকভাৱে দুলিবলৈ ধৰে। তাৰ পিছতেই প্ৰচণ্ড ঢৌৱে ক্ৰুজখনত আঘাত কৰাত কাঁচ ভাঙি সেই ভঙা অংশৰে তীব্ৰগতিত পানী সোমাবলৈ আৰম্ভ কৰে। নৈখনত ক্ৰুজখন ডুবাৰ খবৰ বিয়পি পৰাত ঘটনাস্থলীত আৰক্ষী-প্ৰশাসন আৰু এছডিআৰএফৰ দল উপস্থিত হয়। স্থানীয় ডুবাৰুৰ সহযোগত এছডিআৰএফ আৰু আৰক্ষীয়ে পানীত ডুবি নিৰুদ্দিষ্ট লোকসকলৰ সন্ধানত উদ্ধাৰ অভিযান চলাই আছে। অভিযানকাৰী দলে ১৫জন লোকক পানীৰ পৰা উদ্ধাৰ কৰি তাৎক্ষণিকভাৱে চিকিৎসালয়ত ভৰ্তি কৰায়। দুৰ্ঘটনাৰ সময়ত ক্ৰুজখনত ২৯জন লোক আছিল। ইয়াৰে ১৫জন লোকক জীৱন্তে উদ্ধাৰ কৰা হৈছে আৰু ৯জনৰ মৃতদেহ বৰ্তমানলৈ পোৱা হৈছে। বাকীকেইজন নিৰুদ্দেশ হৈ আছে। উদ্ধাৰ অভিযান সম্পূৰ্ণ হোৱাৰ পিছতহে মুঠ ভুক্তভোগীৰ সংখ্যা সঠিককৈ জনা যাব। আৰক্ষী বিষয়া এগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি বৃহস্পতিবাৰে সন্ধিয়া হঠাতে অহা এজাক ধুমুহাৰ পিছতে এই দুৰ্ঘটনা সংঘটিত হয়। জব্বলপুৰৰ ক্ৰুজ দুৰ্ঘটনাক লৈ শোকপ্ৰকাশ কৰে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° মোহন যাদৱে। মুখ্যমন্ত্ৰী যাদৱে সামাজিক মাধ্যমত দিয়া পোষ্টত কয়, "শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মোৰ গভীৰ সমবেদনা। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মৃতকৰ পৰিয়াললৈ ৪ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।" আনহাতে আহতসকলক ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য ঘোষণা কৰিছে চৰকাৰে।

## শ্যামকানুৰ জামিন নাকচ কৰিলে

সম্ভাৱনা আছে। তেওঁ য়াট পাৰ্টী কৰিবলৈ যোৱাৰ পৰাই জুবিনক সুৰা যোগান ধৰিছিল। সেই সন্দৰ্ভত আমি যুক্তি প্ৰদান কৰিছোঁ। লগতে জব্দকৃত সামগ্ৰী মোকলাই দিবলৈ কৰা আবেদনো নাকচ কৰা হৈছে। চাৰ্জ হিয়েৰিঙৰ প্ৰক্ৰিয়াটো ইতিমধ্যে সম্পূৰ্ণ হৈছে। ২ মে'ত সিদ্ধাৰ্থৰ জামিন আবেদনৰো ৰায়দান কৰিব আদালতে। শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ তথা খৰিজ কৰা সন্দৰ্ভত মন্তব্য কৰি চৰকাৰী পক্ষৰ অধিবক্তা প্ৰদীপ্ত তালুকদাৰে কয় যে তিনিটা মুখ্য কাৰণত আদালতে শ্যামকানু মহন্তৰ জামিন আবেদন খাৰিজ কৰে। আদালতত শ্যামকানু মহন্তই জুবিন গাৰ্গক সুৰাৰ বটল যোগান ধৰাটো প্ৰমাণিত হয়। দ্বিতীয়তে, জুবিন গাৰ্গৰ স্বাস্থ্যৰ অৱনতি তথা স্বাস্থ্য সন্দৰ্ভত শ্যামকানু মহন্ত অৱগত আছিল। তথাপি শ্যামকানু মহন্তই জুবিনৰ কাৰণে যথোপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰা নাছিল। তাৰ উপৰি শ্যামকানু মহন্তই ঘটনাৰ পিছতে মালয়েছিয়ালৈ পলাই গৈছিল। পৰৱৰ্তী সময়ত তেওঁক 'লুক আউট' ন'টিচ দিয়েই গ্ৰেপ্তাৰ কৰিব লগা হৈছিল। এনে অৱস্থাত আদালতত চৰকাৰী অধিবক্তাই তেওঁ পুনৰ পলাই যোৱাৰ সম্ভাৱনা আছে বুলি যুক্তি দিয়ে আৰু এনেবোৰ যুক্তিৰ আধাৰতে আদালতে শ্যামকানু মহন্তৰ জামিন নামঞ্জুৰ কৰে। আনহাতে ৰায়দানৰ পাছতে গৰিমা শইকীয়া গাৰ্গে এক ফেচবুক পোষ্টযোগে উল্লেখ কৰে, "ভগৱান আৰু দেশৰ ন্যায় ব্যৱস্থাৰ ওপৰত, ৰাইজৰ প্ৰাৰ্থনা, আশীৰ্বাদ আৰু সহযোগিতাৰ ওপৰত পূৰ্ণ আস্থা আছে আমাৰস্ব তুমিও নিজেই নিজক চাবা গ'ল্ডী... আৰু যাতে তোমাৰ দৰে এক পবিত্ৰ, সহজ-সৰল এক সত্তাৰ লগত কেতিয়াও এনে ভয়ংকৰ অন্যায় নহয়।"

## ENGLISH NEWS SECTION

# Assam Governor inaugurates Sarat Mahanta Memorial Lecture



Guwahati, RB News: Assam Governor Sri Lakshman Prasad Acharya inaugurated the Sarat Mahanta Memorial Lecture organised by the Sarat Mahanta Foundation at Royal Global University. The Governor while paying rich tributes to late Prof. Sarat Mahanta, he described him as an eminent educationist and social thinker whose life and work continue to inspire generations. He highlighted Prof. Mahanta's long academic association and his contribution towards shaping young minds, as well as his role in upholding the rights of the marginalized during his tenure with the Assam Human Rights Commission. The Governor emphasized that education is not merely a means of acquiring knowledge but a process of building character and nurturing responsible citizens. He noted that Prof. Mahanta's progressive and democratic ideals remain highly relevant in contemporary society. Referring to Assam's rich cultural and spiritual heritage, the Governor recalled the contributions of great luminaries such as Srimanta Sankardev and Madhavdev, whose teachings continue to guide society. He observed that the legacy of such great personalities has shaped the intellectual and cultural ethos of the State. Highlighting the theme "India @100", the Governor said that it reflects the nation's collective resolve to build a developed India by 2047. He underscored the importance of inclusive development, equal opportunities, and youth empowerment in achieving this vision. He further stressed that initiatives like "Atmanirbhar Bharat" and "Make in India" are strengthening self-reliance and encouraging innovation across sectors. The Governor noted that Assam, with its rich natural resources, cultural heritage and dynamic youth, has a significant role to play in this transformative journey.

## CSK defeated MI by 8 wickets



RB News: CSK defeated MI by eight wickets in a convincing manner on Saturday, becoming the first team in IPL history to beat MI twenty times. CSK outperformed Mumbai in all departments of the game. Batting first, MI posted a modest 157 for 7 in 20 overs. CSK cruised to the target in 18.1 overs with Ruturaj Gaikwad remaining unbeaten on 67. Gaikwad and Kartik Sharma forged a match-winning, unbeaten 98-run partnership to seal victory for the men in yellow. Kartik Sharma scored a 54.

## DC record their highest-ever successful run chase in IPL history



RB News: DC chased down a target of 226 against RR in Jaipur on Friday to record their highest-ever successful run chase in IPL history. RR posted a total of 225/6, with DC chasing down the target in 19.1 overs. KL Rahul and Pathum Nissanka starred with fluent half-centuries, powering DC to a comfortable chase. Riyan Parag top-scored for Rajasthan Royals with a brilliant 90 off just 50 balls, helping them post a challenging 225 for 6 in 20 overs. DC have risen to the sixth spot on IPL 2026 points table.

## India beat Chinese Taipei to enter semi-finals



RB News: The Indian men's badminton team defeated a strong Chinese Taipei line-up 3-0 to storm into the Thomas Cup 2026 quarter-finals in Horsens, Denmark, on Friday. Ayush Shetty defeated All England champion Lin Chun-Yi 21-16, 21-17, while Lakshya Sen and Satwiksairaj Rankireddy and Chirag Shetty sealed the other two points for India. With the win, India confirmed medal in Thomas Cup for the second time in 75 years, having won maiden title in 2022.

## SRH sign RS Ambrish as injury replacement for Shivam Mavi



RB News: SRH pacer Shivam Mavi has been ruled out of IPL 2026 due to a groin injury. SRH have signed 18-year-old all-rounder from Tamil Nadu, RS Ambrish, as his replacement. Ambrish, who was part of India squad that won ICC Under-19 World Cup 2026, was also the tournament's joint-highest wicket-taker, with 11 wickets. He will join SRH for 30 lakh.

## Indian golf legend Vijay Kumar passes away at 57



RB News: Indian golf legend Vijay Kumar passed away in his hometown of Lucknow, following a heart attack on Wednesday. He was 57. A winner of the 2002 Indian Open and a four-time Order of Merit champion, Vijay was widely regarded as one of the most accomplished and respected figures in Indian professional golf. His victory at the 2002 Indian Open remains one of the defining moments in Indian golf history.

## Bhuvneshwar Kumar becomes 2nd Indian with 350 wickets in T20s



RB News: RCB pacer Bhuvneshwar Kumar has become the second Indian to take 350 wickets in T20 cricket. He achieved the feat during RCB's match against GT on Thursday. The veteran pacer reached the landmark in style, striking in the third over of the GT chase to dismiss Sai Sudharsan for his 350th T20 scalp. With this, he now owns 352 wickets in 325 T20 matches, only behind bowler Yuzvendra Chahal, who has 391 wickets in 337 matches. Bhuvneshwar currently holds the purple cap in IPL.

# মুখা আৰু মানুহ




**পৰিস্মিতা বৰুৱা,যোৰহাট**

হৃদয়ৰ নিভৃত কোণত সযতনে পোহা
যিবোৰ কথা অজানিতে বৈ যায়,
আৱেগৰ হেন্দোলনিত এদিন সিহঁতে
শব্দৰ ৰূপ লৈ নিগৰি আহে।
শান্ত সাগৰৰ দৰে মৌন ওঁঠযুৰি
যেতিয়া খঙৰ উত্তাপত কঁপিবলৈ ধৰে,
যুক্তিৰ দেউনা ভাঙি তেতিয়াই চাগে
প্ৰকৃত স্বৰূপটোৱে ভুমুকি মাৰে।
মিচিকিয়া হাঁহিৰ আঁৰত থকা দুখবোৰ,
বা নম্ৰতাৰ পোছাক পিন্ধা অহংকাৰবোৰ;
আৱেগৰ চুনামিয়ে সকলো উটুৱাই নিয়ে-
য'ত কোনো অভিনয়ৰ স্থান নাই।
সেই নিমিষতে খহি পৰে সমাজৰ মুখা,
উন্মুক্ত হয় আত্মাৰ নগ্ন সত্য;
খঙেই হওক বা চকুপানীৰ ধল,
মানুহক চিনিবলৈ সেই মুহূৰ্তই যথেষ্ট।।

অনুগল্প

# বন্দীত্ব

**শৈলেন কুমাৰ, মিৰ্জা**



তেখেত অসহায় অৱস্থাত আছে, দুৰ্ভগীয়া আৰ্তজনক সহায় কৰা উচিত, যেতিয়া সহায়ৰ হাত আগবঢ়োৱা গ'ল তেতিয়া সেই অসহায় জনে সহায়কাৰীজনৰ হাততে কামুৰিলে, মানে উপকাৰীক অজগৰে খায়, কিন্তু কথাটো তেনে নহয় আচল কথাটো হ'ল অন্ধকাৰে পোহৰৰ পৰা আঁতৰি থাকিব বিচাৰে । কিন্তু আমাৰ প্ৰচেষ্টা জ্ঞানৰ পোহৰেৰে মনৰ অন্ধকাৰ আৰু বন্দীত্বৰ পৰা অসহায়জনক মুক্ত কৰা ।

# ৰোবটিক্স আৰু

ৰক্ষা কৰা সম্ভৱ হৈছে।

যদিও ৰোবটিক্সৰ বহু সুবিধা আছে, তথাপি ইয়াৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানো আছে। ৰোবটৰ ওপৰত অধিক নিৰ্ভৰশীলতা মানুহক অলস কৰি তুলিব পাৰে। তদুপৰি, উন্নত ৰোবট তৈয়াৰ আৰু ৰক্ষণাবেক্ষণৰ খৰচো বহুত বেছি। সকলো দেশ বা সকলো মানুহে এই সুবিধা লাভ নকৰাৰ সম্ভাৱনাও থাকে, যাৰ ফলত সামাজিক বৈষম্য বৃদ্ধি পাব পাৰে।

ৰোবটিক্স আধুনিক বিশ্বৰ এক শক্তিশালী ভিত্তি হিচাপে পৰিগণিত হৈছে। ইয়াৰ সঠিক ব্যৱহাৰে মানুহৰ জীৱন অধিক উন্নত, সুৰক্ষিত আৰু সহজ কৰিব পাৰে। কিন্তু ইয়াৰ অপব্যৱহাৰ বা অতি নিৰ্ভৰশীলতা ক্ষতিকাৰক হ'ব পাৰে। সেয়েহে, বিজ্ঞান আৰু নৈতিকতাৰ সমন্বয় ঘটাই ৰোবটিক্সক ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়। ৰোবটিক্স হৈছে ভৱিষ্যতৰ পৃথিৱীৰ এক মুখ্য শক্তি। যদি আমি ইয়াক সঠিক দিশত আগবঢ়াব পাৰো, তেন্তে ই মানৱ সমাজক এক নতুন উচ্চতালৈ লৈ যাব আৰু আধুনিক বিশ্বক অধিক উন্নত আৰু সুন্দৰ কৰি তুলিব।

# অপেক্ষা



**শিল্পা প্ৰিয়ম কুণ্ডিণ্য,গুৱাহাটী, সাতগাঁও**

বিহুৰ আগদিনা। ৰঙালী বিহুৰ ঢোল-পাতৰ শব্দই গোটে গাঁওখন গমগমাই তুলিছে। ৰিমি ঘৰৰ বাৰান্দাত বহি আছে- হাতত পুৰণি মোবাইলটো। বহুদিন ধৰি এটা নম্বৰলৈ বাৰ্তা লিখি ৰাখে, পঠিয়াব নোৱাৰে।

"তই আহিবি নেকি এইবাৰ?"- এইটোহে বাক্য থাকে প্ৰতিটো বাৰ্তাত।

পিছৰ বছৰৰ বিহুত ৰাহুলে কৈছিল, "আগন্তুক বছৰত নিশ্চয় আহিম।" তাৰপিছত একো খবৰ নাই। নম্বৰটো এতিয়া "Not reachable"। ঢোলৰ তালে তালে গাঁৱৰ ল'ৰা-ছোৱালীয়ে নাচিবলৈ ওলাইছে। ৰিমিৰ মাকে ডাবি দি উঠিলে-"আহ, নাচটো চাবি।"

ৰিমিয়ে মোবাইলটোত শেষবাৰলৈ বাৰ্তাটো খুলি চাই, অলপ সময় থমকি থাকিল। তাৰপিছত "Delete draft" টিপি দিলে।

বাহিৰত ঢোলৰ শব্দ বেছি জোৰ-দাৰ হৈ উঠিল।

সেই সময়তে নতুন মেছেজ এটা আহিল- "মই আহিছোঁ। গাঁৱৰ পথত আছোঁস্থ তই অপেক্ষা কৰিছ নেকি?"

ৰিমিয়ে মূৰটো উঠালে। ঢোলৰ মাজেৰে কোনোবাই হাঁহি হাঁহি আগবাঢ়ি আহিছে।

# সৰ্ব কালৰ, সৰ্ব স্তৰৰ বন্ধু কিতাপ

উলিয়াই জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হ'ব পৰাকৈ কিতাপে দিছে মানুহক সেই জ্ঞান। মানুহৰ জীৱনৰ এৰাব নোৱাৰা মৌলিক উপাদান সমুহ অৰ্জন কৰি জীয়াই থাকিবলৈ জ্ঞান দি শিক্ষাৰে পুষ্ট কৰিছে । কিতাপে জীৱনটো অৰ্থপূৰ্ণ কৰি তোলাই নহয় আনন্দ দায়ক কৰিও তুলিব পাৰে। কিতাপ পঢ়াৰ অভ্যাসে আমাৰ জীৱন সমৃদ্ধ কৰে। মানসিক চাপ হ্ৰাস কৰি ৰাখে।

অকল যে শিশু আৰু যুৱ চামকে কিতাপে সংগ দিয়ে তেনে নহয় প্ৰাপ্তবয়স্ক সকলৰো জীৱনৰ সংগী হৈ পৰিব পাৰে কিতাপ। জীৱনৰ বিয়লীবেলাত নিসংগ মুহুৰ্তত নতুবা সময় কটাবলৈ এখন কিতাপ সংগী হৈ পৰিব পাৰে। বয়োজেষ্ঠ লোকসকলে আধ্যামিকতাৰ জ্ঞানৰ বাবে ধৰ্মমুলক গ্ৰন্থবোৰৰ লগতে ৰুচি অনুযায়ী নিজৰ বিষয়বস্তুৰে পৰিপূৰ্ণ কিতাপ এখন সংগী হিচাপে বাচি লব পাৰি।

মুঠতে কিতাপ সকলো বয়সৰ লোকৰ বাবেই বন্ধু ।কিতাপৰ পৰা আহৰণ কৰা জ্ঞান হেৰাই নেযায়। বৰং নতুন নতুন জ্ঞানেৰে পৰিপুষ্ট হয়। জীৱনৰ কষ্ট উপাৰ্জনৰ ধন, ঐচৰ্য্য, মান সন্মান সময়ৰ লগে লগে সকলো হেৰাই গলেও কিতাপৰ জ্ঞান হেৰাই নাযায় । কিতাপ এখন পঢ়িলে মানুহৰ জীৱন স্পৃহা বৃদ্ধি কৰে। মনৰ সুখ শান্তিৰ লগতে জীৱনৰ নতুন নতুন কাহিনীয়ে মনটো কল্পনাৰ জগত খনলৈ লৈ যায়। মানসিক শান্তি দি মনটো সতেজ কৰে। কিতাপে বন্ধুত্ব পুৰ্ণসংগ দি জীৱনৰ শেষ মুহুৰ্তলৈ সংগ দিয়ে ।সুখ দুখৰ লগৰী অতিকে বিশ্বাসী বন্ধু।

# গোবিন্দ চন্দ্ৰ পৈৰাঃ অসমীয়া

দ্বিতীয় স্থান লাভ কৰিছিল। সেই বছৰতে 'আৱাহন' ত প্ৰকাশ পাইছিল তেওঁৰ প্ৰথমটো উল্লেখযোগ্য গল্প 'সপোন আৰু স্মৃতি ' । পৈৰা আৱাহন যুগৰ প্ৰতিষ্ঠিত গল্পকাৰ আছিল। মূলতঃ তেওঁ আছিল এজন ৰমন্যাসিক ভাৱ ধাৰাৰ সৃষ্টিশীল লেখক। তেওঁৰ গল্প সংকলন দুখন হৈছে 'মৰমৰ পৰশ' আৰু 'সপোন আৰু স্মৃতি'। পৈৰাৰ গল্পই অসমীয়া সাহিত্যলৈ নগা পাহাৰৰ নগা সমাজৰ বিভিন্ন উপাদান আমদানি কৰিলে।

'প্ৰেম আৰু পৃথিৱী' তেওঁৰ একমাত্ৰ উপন্যাস। 'গৰমা কুঁৱৰী ' তেওঁৰ একমাত্ৰ ইতিহাস ভিত্তিক প্ৰকাশিত নাটক। নাগামীজতো তেওঁ দুখন নাটক লিখিছিল। 'ডালিমী', 'সজীৱালী' আৰু 'নগাকোঁৱৰ ' তেওঁৰ অপ্ৰকাশিত তিনিখন নাটক।


উপসংহাৰঃ জীৱন কালতে কিম্বদন্তীত পৰিণত হোৱা গোবিন্দ চন্দ্ৰ পৈৰা সাহিত্য -সংস্কৃতিৰ জগতৰ এটা অতি পৰিচিত নাম। তেওঁ নিজৰ পৰিচয় দিয়ে 'মই সাংস্কৃতিক ভাৱে অসমীয়া' বুলি। ড° নগেন শইকীয়াই কৈছিল, "সমন্বয়ৰ সু-উচ্চ পতাকা তেওঁৰ হাতত"। পৈৰাক গোলাঘাট শাখা সাহিত্য সভাই প্ৰথম বাৰৰ বাবে 'ফুলচান্দ খাণ্ডেলৱাল সংহতি বঁটা ' প্ৰদান কৰিছিল। অসমৰ ঐক্য আৰু সংহতিৰ দিশত বৰঙণি আগবঢ়োৱা সাহিত্যিক সকলক এই বঁটা প্ৰদান কৰা হৈছিল। ১৯৭৫ চনত অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনত পৈৰাক সম্বৰ্ধনা জনোৱা হৈছিল। তেওঁ যি কামতেই হাত দিছে তাতেই তেওঁ পদচিহ্ন ৰাখি যাবলৈ সক্ষম হৈছিল। ইয়াৰ কাৰণ আছিল পৈৰা মানুহজনৰ অফুৰন্ত কৰ্মশক্তি, অসাধাৰণ সংগঠন শক্তি, নিভাঁজ মানৰ প্ৰেম আৰু কিবা এটাত ধৰিলে আত্মহাৰা হৈ কাম কৰি যোৱাৰ অদ্ভুত ক্ষমতা। অসমৰ নতুন পুৰুষক তেওঁৰ জীৱন কাহিনীয়ে বহু কেইটা দিশৰ অৰ্থবহ ইংগিত দিব।

সহায়ক গ্ৰন্থঃ বুকুৰ তেজ মুখৰ ভাষা (গোবিন্দ চন্দ্ৰ পৈৰাৰ জীৱনালেখ্য)- প্ৰফুল্ল চন্দ্ৰ বৰা।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# Pride of Assam: Dr. Atanu Nath at the Frontiers of Global Physics

Heramba Nath



In an age defined by rapid technological acceleration and unprecedented scientific collaboration, the geography of knowledge is often assumed to be concentrated within a few global epicentres—Silicon Valley, Geneva, Cambridge, or Tokyo. These locations dominate the imagination of modern science, appearing as the natural habitats of discovery and innovation. Against this backdrop, the recognition of Dr. Atanu Nath with the prestigious Breakthrough Prize in Fundamental Physics in 2026 emerges not merely as a personal achievement, but as a deeply symbolic moment that disrupts these assumptions. It reorients the map of intellectual possibility, drawing attention to the often-overlooked scientific potential of India's Northeast, particularly Assam.

The Breakthrough Prize, frequently described as the "Oscars of Science, " is not simply another accolade in the long list of scientific honours. It represents a celebration of ideas that push the boundaries of human understanding, that dare to question the known and venture into the unknown. Founded to recognise transformative contributions in fundamental physics, life sciences, and mathematics, the award carries both prestige and philosophical weight. It honours those who stand at the edge of human knowledge, peering into the mysteries that define existence itself. That Dr. Nath, a scientist rooted in the soil of Assam, has become part of this global narrative is an event of both intellectual and cultural importance.

His contribution is closely associated with the Muon g-2 experiment, one of the most ambitious and intricate experiments in modern particle physics. Conducted through a collaborative effort spanning multiple continents, the experiment involves leading institutions such as CERN, Brookhaven National Laboratory, and Fermilab. These are not merely laboratories: they are arenas where humanity confronts its deepest questions about the nature of reality.

At its core, the Muon g-2 experiment explores the behaviour of the muon, a subatomic particle that resembles the electron but possesses a much greater mass. According to the Standard Model of particle physics, the muon's magnetic moment—its intrinsic interaction with a magnetic field—should follow precise theoretical predictions. For decades, this framework has stood as one of the most successful achievements of modern physics, accurately describing the fundamental particles and forces that constitute the universe.

Yet, science thrives on anomalies. The Muon g-2 experiment has revealed slight but persistent discrepancies between the predicted and observed values of the muon's magnetic moment. These deviations, though minute in scale, are monumental in implication. They suggest that there may be forces or particles that lie beyond the Standard Model—elements of reality that have not yet been discovered or understood. Such a possibility is both thrilling and unsettling, as it challenges the completeness of our most trusted theories.

Within this complex scientific endeavour, Dr. Nath's role becomes part of a larger tapestry of collaborative inquiry. He is among 376 scientists worldwide, including around 11 Indians, who share this honour. This collective recognition underscores a fundamental truth about contemporary scienceÊ. that it is inherently collaborative. The age of solitary genius has given way to an era of interconnected intellects, where discoveries emerge from networks of researchers working across borders, languages, and disciplines.

However, within this vast global network, the presence of a scientist from Assam carries a unique resonance. It speaks to the silent resilience of a region that has long remained on the periphery of India's scientific infrastructure. It reflects the aspirations of countless young minds who pursue education and knowledge despite limited resources and opportunities.

Born in Lalabazar in the Hailakandi district of Assam, Dr. Nath's journey is as compelling as the science he engages with. The Barak Valley, with its serene landscapes and cultural richness, is not typically associated with cutting-edge scientific research. Yet, it is from this very environment that a mind capable of contributing to one of the world's most sophisticated experiments has emerged. His story challenges the assumption that excellence must originate from elite institutions or urban centres. It affirms that intellectual brilliance can arise from any corner of the world, given the right combination of curiosity, determination, and perseverance.

Currently serving as an Assistant Professor at Tihu College in Nalbari, Dr. Nath embodies a rare and significant duality. He is both a participant in global scientific discourse and a mentor within a regional academic setting. This dual role is not merely a professional arrangementÊ, it is a philosophical statement. It suggests that knowledge need not be confined to centres of power but can circulate, returning to enrich the communities from which it originates.

For students in Assam and across the Northeast, his presence in a local institution is profoundly meaningful. It transforms the abstract idea of global scientific achievement into a tangible reality. It offers a living example of what is possible, bridging the gap between aspiration and attainment. In classrooms where resources may be limited, the presence of a teacher who has contributed to world-class research becomes a source of inspiration that no textbook can replicate.

At the same time, this achievement invites a deeper reflection on the structural challenges that continue to shape the landscape of education and research in the region. Despite policy rhetoric emphasising innovation and scientific temper, many institutions in the Northeast struggle with inadequate infrastructure, limited funding, and insufficient exposure to global research networks. Laboratories often lack modern equipment, and opportunities for advanced research remain scarce.

Dr. Nath's success, therefore, is both a celebration and a critique. It highlights what is possible while also drawing attention to what remains unfulfilled. ***Next Issue***